প্ৰয়োজনীয় Microtomy slides পৰ্য্যবেক্ষণ কৰিলো । বিভিন্ন ধৰণৰ পখিলাৰ জীৱন-দশা অধ্যয়ন কৰাৰ লগতে ইহঁতৰ প্ৰতিকৃতি Mimicry ও দেখিবলৈ পালো । ইয়াত থকা সৰীসৃপ ভৱনত আমি বিলুপ্ত ডাইনোচৰৰ বিভিন্ন প্ৰজাতিৰ প্ৰতিমূৰ্ত্তিও দেখিবলৈ পালো । এই প্ৰতিমূৰ্ত্তিবোৰ বিদ্যুতৰ দ্বাৰা জীৱন্ত কৰি তোলা হৈছে । ইয়াত থকা টি-ভি বোৰত ডাইনোছৰৰ বিভিন্ন তথ্য সম্বলিত তথ্যচিত্ৰও দেখুৱাই থোৱা আছিল । ইয়াত মোৰ আটাইতকৈ বেছি ভাল লাগিছিল Time Machine আৰু Space Theatre উপভোগ কৰি । ইয়াত থকা Rope way ৰ যাত্ৰা সঁচাই আকৰ্ষণীয় ।

ইয়াৰ পিছত আমি Nicco Park লৈ গ'লো । তাত থকা প্ৰতিটো খেলেই মোহনীয় আৰু বুকুত কম্পন তোলা । সান্ধ্য ভ্ৰমণ তথা পৰ্য্যটক আকৰ্ষণৰ ই এটি আকৰ্ষণীয় অনুষ্ঠান ।

২৪ অক্টোবৰত উদ্ভিদ উদ্যানলৈ ( Botanical Garden ) গ'লো । ই কলিকতাৰ শিৱপুৰত অৱস্থিত । এই উদ্ভিদ উদ্যান পৃথিৱীৰ ভিতৰত এখন ডাঙৰ উদ্যান । ইয়াত বিভিন্ন ধৰণৰ উদ্ভিদ ৰ প্ৰজাতি সংৰক্ষণ কৰা হৈছে । পৃথিৱী বিখ্যাত আহত গছ ( Banyan tree) দেখিবলৈ পাই সঁচাকৈ খুব আনন্দিত হৈছো । সময়ৰ নাটনিৰ বাবে আমি বেছি সময় ইয়াত নকটাই 'ভাৰতীয় সংগ্ৰহালয় (Indian museum ) লৈ গুচি গ'লো । এইটো ভাৰতৰ ভিতৰত ডাঙৰ সংগ্ৰহালয় । সংগ্ৰহালয়টো ছয়টা শাখাত বিভক্ত । যেনে,

(ক) আৰ্ট শাখা ( চাৰু কাৰু কলা শাখা )
(খ) প্ৰাণী বিজ্ঞান শাখা
(গ) নৃ-তত্ত্ব শাখা
(ঘ) আৰ্কিওল'জি শাখা ( পুৰাতত্ত্ব শাখা )
(ঙ) ইণ্ডাষ্ট্ৰিয়েল গেলাৰি ( ঔদ্যোগিক শাখা ) আৰু
(চ) ভূ-তত্ত্ব শাখা

আমি আটাইবোৰ শাখাই পৰ্য্যবেক্ষণ কৰিলো যদিও স্বাভাৱিকতেই আটাইতকৈ বেছি সময় অতিবাহিত কৰিলো প্ৰাণী বিজ্ঞান শাখাটোত ।

প্ৰধান সংগ্ৰহালয়ৰ প্ৰথম মহলাৰ ( First floor ) গেলেৰীত প্ৰাণী বিজ্ঞানৰ নমুনা (Zoological Specimen )বোৰ আছে । ইয়াত পাঁচোটা বেলেগ -বেলেগ গেলেৰীত পৰুৱা ( Insect ), মাছ ( Fish), উভচৰ (Anphibia ) সৰীসৃপ (Reptiles), চৰাই (Birds) সজাই থোৱা আছে । এটা উল্লেখযোগ্য কথা হ'ল সংগ্ৰহালয়ৰ ভিতৰত ফটো লোৱা নিষেধ ।

ইয়াৰ পিছত আমি কলিকতাৰ এম. পি. বিৰলা তাৰকাগৃহ আৰু ভিক্টোৰিয়া মেমৰিলেয় দৰ্শন কৰিলো ।

কলিকতাৰ আৰ্হিতেই আমাৰ গুৱাহাটীৰ তাৰকাগৃহটো সজোৱা হৈছে যদিও গুৱাহাটীতকৈ ইয়াৰ তাৰকাগৃহটো যথেষ্ট উন্নত বুলি মোৰ ধাৰণা । আকৌ ভিক্টৰিয়া মেমৰিয়েলত ৰাণী ভিক্টৰিয়াৰ লগতে বৃটিছৰ দিনৰ বিভিন্ন শাসনকৰ্তাৰ প্ৰতিমূৰ্ত্তি, যুদ্ধৰ সা-সঁজুলি, বিভিন্ন ৰজা মহাৰজাৰ সাজ-পোছাক, হাতী দাঁতৰ চকী, বিভিন্ন বুৰঞ্জী প্ৰসিদ্ধ সা-সামগ্ৰী দেখিবলৈ পাই নিজকে ধন্য মানিছো ।

পিছদিনাখন দীঘাৰ 'সাগৰ তীৰলৈ' (Sea beach ) যাওনা হ'লো । তাৰ সাগৰৰ ঢৌৰ মনোৰম দৃশ্য চালে চাই থাকিবৰে ইচ্ছা যায় । আকৌ সাগৰৰ পাৰৰ পৰা সূৰ্যোদয়ৰ ( Sune rise ) যি মনোৰম দৃশ্য তাক বৰ্ণাই শেষ কৰিব নোৱাৰি । অগণন মানুহ নিতৌ এই দৃশ্য উপভোগ কৰিবলৈ ইয়াত মিলিত হয় । সময়ৰ অভাৱত আমি অতি সোনকালেই ইয়াৰ পৰা উভতিব লগা হ'ল ।

কলিকতাত ঘূৰি পকি বুজিলো যে চহৰখন খুব পৰিপাটি আৰু সকলো ক্ষেত্ৰতে তাত নিয়মানুৱৰ্ত্তিতা মানি চলা হয় । ইয়াত মেট্ৰ' ট্ৰেইনত কেবাবাৰো উঠিছোঁ আৰু যথেষ্ট আনন্দ অনুভৱ কৰিছো । ইয়াৰ প্লেটফৰ্মত থিয় দিলে এনেকুৱা অনুভৱ হয় যেন আমি মাটিৰ তলত নাথাকি মুকলি আকাশৰ তলতহে থিয়হৈ আছো । ইয়াত সকলোবোৰ কাম কম্পিউটাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হয় ।

আকৌ চহৰখনৰ Plantation খুব ধুনীয়া । ৰাস্তাৰ দাঁতিত অথবা চহৰখনৰ বিভিন্ন ঠাইত শাৰী-শাৰীকৈ লগাই থোৱা গছ গছনিবোৰ দেখি আমাৰ অসমলৈ মোৰ বৰকৈ মনত পৰিছিল । একালত গছ-গছনিৰে ভৰা অসমৰ অৱস্থা এতিয়া অতি শোচনীয় ।

কলিকতাত থকা কেইদিন গাড়ীত (ভাড়া) ঘূৰি মোৰ এটা ডাঙৰ অভিজ্ঞতা হৈছে । গাড়ী ভাড়া কৰোঁতে সদায় মিটাৰ হিচাপত ল'ব লাগে । নহ'লে ড্ৰাইভাৰবোৰে ভাড়া লোৱাৰ সময়ত খুব অসুবিধা দিয়ে। কাৰণ আমি ভ্ৰমণৰত অৱস্থাত প্ৰায়েই এনেকুৱা অসুবিধাৰ সন্মুখীন হৈছিলো ।

আমাৰ ভ্ৰমণ খুব আনন্দময় হৈছিল আৰু এনেকৈ আনন্দৰ মাজেৰেই ২৮ অক্টোবৰৰ সন্ধিয়া আটায়ে নিজ নিজ ঘৰত উপস্থিত হৈছিলো। □□□

*□□' প্ৰচলিত অৰ্থত যাক 'সাফল্য' বুলি কোৱা হয়, সি যাতে ছাত্ৰ সকলৰ মাজত জীৱনৰ লক্ষ্য বুলি প্ৰচাৰিত নহয়, এই বিষয়ে সতৰ্ক দৃষ্টি ৰখা উচিত । কাৰণ জীৱনত সফল তেওঁকেই কোৱা হয় যি তেওঁৰ লগৰীয়া সকলৰ পৰা অনেক পাইছে । ইয়াৰ বিনিময়ত সমাজক তেওঁ যি সেৱা দিয়ে, তাৰ পৰিমাণ প্ৰাপ্তিতকৈ সাধাৰণতে বেছি হয় । কিন্তু মানুহৰ মূল্য নিৰূপণ কৰা উচিত সমাজৰ পৰা কিমান নিলে তাৰ ভিত্তিত নহয় , বৰং সমাজক কিমান দিলে তাৰ ভিত্তিত হে ।' □□*

-এলবাৰ্ট আইনষ্টাইন

জৱাহৰ জ্যোতি'ৰ সোঁৱৰণীৰে



# সেই সোণালী সুদিন

□ জ্ঞান শঙ্কৰ খাখ্‌লাৰী
সম্পাদক, ১ম সংখ্যা 'জৱাহৰজ্যোতি'

দিন গ'ল !

মাহ গ'ল ।

বছৰো গ'ল । সময়ৰ সতে আমি মানুহবোবো বহু সলনি হলোঁ। সলনি হৈছে পৰিৱেশ- পৰিস্থিতি। জীৱনৰ বাটত বহুদূৰ খোজ কাঢ়ি আহিলোঁ। আহোতে বাটত বহুতক লগ পালোঁ। মনৰ মণি কোঠাত থুপ খাই আছে বহু কথা । কলেজ এৰি অহা সময় কম নহয়। ত্রিশটা বছৰ। আঢ়ৈ যুগ। এৰি অহা সময়ৰ কথা জানো ক'ব পাৰিম ! স্মৃতিহে ; কথাবোৰ কওতেঁ যদি কিবা অপ্রাসঙ্গিকতা আহি পৰে - ভয় হয়। স্মৃতিৰ গুহাত বহু কথাই থাকে। প্রকৃত বিৱৰণৰ আক্ষৰিক প্রতিলিপি এতিয়াও জীন যোৱা নাই। কিছুমান হ্রস্বকালীন স্মৃতি হেৰুৱাই পেলাইছোঁ। কিয়নো অনাৱশ্যকীয় বুলি কিছুমান কথা আৱৰ্জনাৰ অনাদৃত দাষ্টবিনত পেলাই দিছোঁ। ১৯৯৮-৯৯ বৰ্ষৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ বাৰ্ষিক সংকলন ' জৱাহৰ জ্যোতি' আলোচনীৰ সম্পাদকে মোক লিখিবলৈ কৈছে। মই উক্ত মহাবিদ্যালয়ৰ 'জৱাহৰজ্যোতি' আলোচনী খনৰ প্রথম সংখ্যাৰ সম্পাদক আছিলোঁ। উত্তৰ পুৰুষ সকলে আমাক মনত পেলাই কিছু কথা লিখিবলৈ কোৱাৰ বাবে প্রথমে মোৰ হিয়া ভৰা চেনেহৰ সন্দেশ আগবঢ়ালোঁ । এতিয়া লিখো কি ? কও বা কি ?

আমি 'জৱাহৰজ্যোতি' সম্পাদনা কৰা বছৰটো আছিল১৯৭০-৭১চন। যি সময়ত আমি বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্র 'জৱাহৰজ্যোতি' প্রকাশৰ কথা ভাবিছিলোঁ তেতিয়া বৰ্তমানৰ দৰে ছাত্র- ছাত্রী নাছিল। নাছিল কলেজৰ আৰ্থিক পূঁজি। কলেজ খনো নতুন। কলেজত শিক্ষক, ছাত্র-ছাত্রী মিলি ছাত্র একতা সভাৰ এখন সভা বহিছিল। তাৰিখ, বাৰ মোৰ মনত নাই। সেই সভাত কলেজৰ প্রথম সংখ্যা 'জৱাহৰজ্যাতি' নামৰ মুখ পত্র প্রকাশ কৰাৰ প্রস্তাৱ লোৱা হৈছিল। ছাত্র একতা সভাৰ সম্পাদক আছিল মহেশ ৰাভা । মোক 'জৱাহৰজ্যোতি'ৰ সম্পাদকৰ পদটো কান্ধত তুলি দিছিল । সেই সময়ত গুৱাহাটীৰ পৰা প্রকাশিত 'আমাৰ বাতৰি' নামৰ তিনিদিনীয়া বাতৰি কাকত খনত এই অঞ্চলৰ সৰু সুৰা টুকুৰা খবৰ মই লিখি প্রকাশ কৰিছিলো। সম্পাদক আছিল অসম সাহিত্য সভাৰ বৰ্ত্তমানৰ সভাপতি চন্দ্র প্রসাদ শইকীয়া। বকোৰ পূৰ্ণ চন্দ্র দাসৰ লগত এটি সাক্ষাৎকাৰ আৰু বকো কলেজৰ বিষয়ে লিখি প্রবন্ধ প্রকাশ কৰিছিলোঁ। এনেদৰে চালে বেৰে কিবা কিবি লাভবান নোহোৱা লিখনি লিখাৰ বাবে কাৰোবাৰ চকুত লাগিছিলোঁ নেকি যাৰ বাবে হয়তো সম্পাদকৰ পদটো মোৰ ফালে ঠেলি দিছিল। মই পিচে একেবাৰে অনভিজ্ঞ । সম্পাদনাৰ অ- আ একোকে নাজানোঁ।

আমাৰ চাৰ মদন কাকতি, ধৰ্ম কান্ত বৰুৱা, বসন্ত দত্ত, শৰৎ তালুকদাৰ-আদিয়ে মোক বহু উৎসাহ আৰু অনুপ্রেৰণা দিলে । লগতে সহায় কৰিলে, নবেশ্বৰ বায়ন, নৃপেন নাথ, পৰমেশ্বৰী বড়ো, সৰ্বেশ্বৰী বড়ো, নগেন কলিতা, পীতাম্বৰ ঠাকুৰীয়া, মহেশ ৰাভা আদি ছাত্র-ছাত্রী বন্ধু-বান্ধৱীয়ে। বহুতৰ নাম পাহৰিলোঁ। আনহাতে অধ্যক্ষ শ্রীযুত যতীন্দ্র চন্দ্র নাথৰ নাম লবই লাগিব। 'জৱাহৰজ্যোতি' প্রকাশৰ সিদ্ধান্ত হ'ল ঠিক, কিন্তু অধ্যক্ষ নাথ চাৰে আমাক জনালে যে, আলোচনী প্রকাশৰ জোখাৰে পুঞ্জিত টকা নাই। ছাত্র একতা সভাৰ মত হ'ল আলোচনী প্রকাশ কৰিবই। যাৱতীয় কামকাজ কৰাৰ দায়িত্ব মোৰ গাত পৰিল। সম্পাদনা সমিতি গঠন কৰি দিয়া হ'ল এনেদৰে -

| | |
|---|---|
| সভাপতি- | অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ |
| সদস্য- | অধ্যাপক শৰৎ তালুকদাৰ |
| | অধ্যাপক বসন্ত দত্ত |
| | অধ্যাপক মদন কাকতি |
| | অধ্যাপক কামিনী মোহন শৰ্মা |
| সহ: সম্পাদক- | অমূল্য ৰয় |

( অমূল্য ৰয় বৰ্ত্তমান ইহ জগতত নাই। নাথ, তালুকদাৰ, দত্ত আৰু কাকতি চাৰেও চাকৰিৰ পৰা অৱসৰ ললে। কামিনী মোহন শৰ্মা গোৱালপাৰা কলেজত)

অভিজ্ঞতা নাই। মূৰত সোমাল আলোচনী প্রকাশ কৰিবই লাগিব। সম্পাদনা সমিতিৰ বৈঠক বহা হ'ল। লেখা বিচাৰি কলেজত জাননী দিয়া হ'ল। সীমিত ছাত্র-ছাত্রী, যাকে য'তে লগ পাইছো তাকে কৈ ফুৰিছো আলোচনী খনৰ বাবে লিখা দিবলৈ। ঘৰলৈ গৈ তাগিদা দিছোঁ। প্রাক্তন ছাত্র- ছাত্রী সকললৈ চিঠি পত্র লিখিছোঁ লিখনীৰ বাবে। ইতিমধ্যে মই সেই সময়ৰ ভাৰতৰ ৰাষ্ট্রপতি ভি. ভি. গিৰি, প্রধান মন্ত্রী ইন্দিৰা গান্ধী, অসমৰ গভৰ্ণৰ বি.কে . নেহৰু, অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি আনন্দ চন্দ্র বৰুৱা ( বকুল বনৰ কবি ) নলিনী বালা দেৱী, প্রবীন কুমাৰ চৌধুৰী, অচ্যুৎ কান্ত অধিকাৰী আদিৰ আশিস্ বাণী সংগ্রহ কৰি অধ্যক্ষ নাথ চাৰৰ ওচৰ পাইছিলোঁ। কমদিনৰ ভিতৰতেই কাম কৰিছিলোঁ। চাৰে কলে 'জ্ঞান, বহু দূৰ আগ বাঢ়িলাহে। ফান্দত টকা নাই

কি কৰা যায়।' চাৰ কিছু নিৰুপায়। ঠিক এনে সময়তে কাকতি চাৰ , তালুকদাৰ চাৰ, ( মানে মদন কাকতি,শৰৎ তালুকদাৰ) লগতে মহেশ ৰাভা, নৃপেন নাথ কোঁঠাত প্ৰৱেশ কৰিলে আৰু আটায়ে বহি ললোঁ। অধ্যক্ষ নাথ চাৰে মোৰ লগত থকা কাগজ পত্ৰবোৰ বিচাৰিলে । টকাৰ কথাও ওলাল।কোনে জানো আলোচনাৰ মাজত ক'লে যে আলোচনী প্ৰকাশৰ সাহাৰ্য্যৰ বাবে ভ্ৰাম্যমান থিয়েটাৰ নিমন্ত্ৰণ কৰিলে কেনে হয়। সিদ্ধান্ত হ'ল থিয়েটাৰ মাতিলে বেয়া নহয়। আগধন লাগিল আগুৱান টকা দিবলৈ। অধ্যক্ষ নাথ চাৰে কলে , টকাখিনি ঘূৰাই দিলে অগ্ৰিম টকাৰ দিহা কৰা যাব। আমি গাত ললোঁ। ঘূৰাই দিম। সেইসময়ৰ অসমৰ আগশাৰীৰ ভ্ৰাম্যমান থিয়েটাৰ " সুৰদেৱী থিয়েটাৰ" দলটোকে নিমন্ত্ৰণ কৰা হ'ল। সময়ত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী ' জৱাহৰজ্যোতি' প্ৰকাশৰ সহায়ৰ বাবে ' সুৰদেৱী থিয়েটাৰ' দল আহিল। বকো গান্ধী মৈদানত থিয়েটাৰ প্ৰদৰ্শন কৰা হ'ল। আমি আগভাগ ললোঁ । বহু কেইজন ছাত্ৰ-ছাত্ৰী আৰু কলেজৰ শিক্ষাগুৰু তথা কলেজ পৰিচালনা সমিতিৰ সেই সময়ৰ সম্পাদক শ্ৰীঅচ্যুৎ কান্ত অধিকাৰী চাৰেও আমাৰ লগত ছাঁটোৰ দৰে লাগি থাকি উৎসাহ যোগাইছিল। পাহৰিব নোৱাৰা কথা। শ্ৰম হৈছিল যথেষ্ট । থিয়েটাৰ প্ৰদৰ্শন কৰি কিছু টকা সংগ্ৰহ কৰা হ'ল। আলোচনী প্ৰকাশৰ বাবে লগা টকা পূৰ নহ'ল। যি কি নহওক, কিছু টকা আমাৰ হাতলৈ আহিল। উশাহ এটা পালোঁ। কিছু প্ৰবন্ধ, গল্প, কবিতা আৰু নানা লিখনি সংগ্ৰহ কৰা হ'ল। মই অজিত কুমাৰ বাভাৰ দ্বাৰা ' জৱাহৰ জ্যোতিৰ' বেটুপাত আকিলোঁ। বৰ্তমান ৩০টা বছৰে অজিত কুমাৰ বাভাক মই লগ পোৱা নাই। লিখাবোৰ ঘহি পিহি কিছু যুগুত কৰা হ'ল। সম্পাদনা সমিতিৰ সদস্য সকলে যথেষ্ট সহায় কৰিলে। চাৰ সকলে চাই চিতি বহু শুধৰাই দিলে। আলোচনী খনৰ কেঁচা সামগ্ৰী কিছু জমা হ'ল।

সম্পাদনা সমিতিত সিদ্ধান্ত হ'ল যিখিনি হৈছে প্ৰেছত দিব লাগে। থিয়েটাৰত পোৱা কিছু টকা লৈ আলোচনী খন ছপা কৰিবৰ বাবে গুৱাহাটীৰ পান বজাৰত থকা লক্ষ্মী প্ৰিন্টিং প্ৰেছত দিয়া হ'ল। বৰ্তমান সেইঠাইত প্ৰেছটো নাই। এদিন অধ্যক্ষ চাৰে কলে যে 'জৱাহৰ জ্যোতি'ৰ বাবে আৰু টকাৰ প্ৰয়োজন হ'ব। আকৌ টকাৰ কথা আমাৰ মূৰত সোমাল। কি কৰা যায় !

এই প্ৰসংগতে এজন মানুহৰ বিষয়ে কিছু কথা কবলগীয়া হ'ল। তেওঁ আমাৰ সন্মানীয় প্ৰয়াত প্ৰবীন কুমাৰ চৌধুৰী। প্ৰবীন কুমাৰ চৌধুৰী বকো সমষ্টিৰ এম,এল, এ , । তেওঁ সমষ্টিৰ প্ৰতিনিধিয়েই নহয় অসম চৰকাৰৰ সেই সময়ৰ পৰিবহণ মন্ত্ৰীও আছিল। তেওঁৰ নেতৃত্বতেই বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে গা কৰি উঠিছিল। তেওঁৰ অৱদান আৰু শ্ৰমৰ কথা বকো বাইজে পাহৰিব নোৱাৰে। বিশেষকৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে তেওঁৰ নাম লবই লাগিব। তেওঁ চতুৰ আছিল। অঞ্চলত কাম কৰাৰ সুযোগ পাইছিল। সেই সুযোগ তেওঁ এৰি দিয়া নাছিল। কলেজ গঢ়াৰ ইটো সিটো কামৰ লগত আৰু এজন লোক আছিল তেওঁ হ'ল শ্ৰীযুত অচ্যুৎ কান্ত অধিকাৰী। প্ৰবীনকুমাৰ চৌধুৰী আৰু অধিকাৰীৰ অৱদানৰ বিষয়ে লিখিলে এটি সুকীয়া প্ৰবন্ধ হ'ব। ই আমাৰ উদ্দেশ্য নহয়। মই কলেজীয়া জীৱনৰ সোণোৱালী সুদিন কেইটা ছাত্ৰাবাসতেই কটাইছোঁ।

এদিন আবেলি অধ্যক্ষ চাৰে তেওঁৰ কাৰ্যালয়ত মোক মাতি নিলে। চাৰৰ লগত বহি আছে কাকতি চাৰ আৰু তালুকদাৰ চাৰ। অধ্যক্ষ চাৰে কলে- জ্ঞান, টকা নাই কি কৰা যায়। শেষত আলোচনা কৰি সিদ্ধান্ত কৰা হ'ল মন্ত্ৰী চৌধুৰী দেৱৰ ওচৰত ঘাটি হোৱা টকা খিনি বিচৰা যাওক। এদিন মহেশ, মই,নৃপেন, লগত কাকতি চাৰ, তালুকদাৰ চাৰ আৰু অধ্যক্ষ নাথ চাৰ লগ হৈ ৰাতি ৭/৮ মান বজাত বকোত থকা চৌধুৰীৰ বাসভৱনলৈ গ'লোঁ। কলেজৰ আৰু সৰু সুৰা সামাজিক কাম কাজৰ বাবে আমাৰ চৌধুৰী দেৱৰ লগত দেখা সাক্ষাৎ তথা ভাবৰ আদান প্ৰদান হৈছিল; ফলত তেওঁৰ ওচৰ চপাৰ সুযোগ পাইছিলোঁ।

আমাক দেখি তেওঁ আমাৰ খা-খবৰ ললে । কলেজৰ উন্নতিৰ বিষয়ে কথা পাতিলে। বাইজৰ, দেশৰ বহু আলোচনা হ'ল। আমি ছাত্ৰ তথা তেওঁৰ পুত্ৰসম। তথাপি মুকলিমুৰীয়া কৈ বহু কথাই আমি পাতিছিলোঁ। আমাৰ উদ্দেশ্যৰ বিষয়ে কথা পতাৰ সুযোগ পোৱাই নাই । শেষত যেনিবা আমাৰ নিবেদনটো কলো - ' জৱাহৰজ্যোতি' কলেজ আলোচনী খন প্ৰকাশৰ পথত । কিন্তু আমাৰ টকা কিছু ঘাটি হৈছে। আপুনি আমাক সহায় কৰিব লাগে। তেওঁ লগে লগে মান্তি হ'ল। ঘাটি টকা তেওঁ পূৰণ কৰিব ।

প্ৰবীন কুমাৰ চৌধুৰীৰ ওচৰত আমি কৃতজ্ঞ। তেওঁৰ অৱদান আমি পাহৰিব নোৱাৰোঁ । তেওঁ আমাক অভিভাৱকৰ দৰে ওচৰত পাই বহু কথা কৈছিল। এই বোৰ কৈ দীঘলীয়া কৰাৰ ইচ্ছা নাই।

ত্ৰিশটা বছৰ কম নহয়। ত্ৰিশটা বছৰৰ পিচত কলেজ খনৰ বিষয় কিছু কথা কব খুজিছোঁ । এই সময় ছোৱাত আমাৰ লগৰ বহু কেইজনে ভাল ভাল চাকৰি কৰিছে কোনোৱে দায়িত্বশীল বিষয়া হৈছে। বহুজনক চিৰদিনৰ বাবে হেৰুৱাইছোঁ। বহুজনৰ কথা পাহৰিও গৈছোঁ। সময়ৰ আঁচোৰ আমাৰ প্ৰতিজন মানুহৰ মুখমণ্ডলত লাগি গৈছে। কলেজত আমাক শিক্ষাদান কৰা শিক্ষক সকলক এতিয়া হয়তো সময়ে কলেজ এৰিবলৈ বাধ্য কৰালে। সময়ৰ সোঁতে সোঁতে কাম হৈছে। বহুদিন কলেজলৈ যোৱা নাই । কাম নাই ।নতুন নতুন শিক্ষক আহিছে ।নতুন নতুন ছাত্ৰ-ছাত্ৰী আহিছে-গৈছে। নতুন পুৰুষে কলেজত দলদোপ হেঁণ্ডোলদোপ লগাইছে। নতুনে সদায় সৃষ্টি কৰে, সৃষ্টিত আনন্দ আছে। আছে জীয়াই থকাৰ মধুৰতা। এতিয়া কলেজত বিজ্ঞানৰ শাখা খোলা হৈছে। আজি প্ৰযুক্তিবিদ্যাৰ যুগত আমাৰ গ্ৰাম্য ভূমিৰ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান বিষয়ক জ্ঞান লাভ কৰিবলৈ সুযোগ পোৱা অতি আনন্দৰ কথা। আমি থকা ছাত্ৰাবাসটোত হেনো বৰ্তমান বিজ্ঞানৰ শ্ৰেণী খোলা হৈছে। শালনি বাৰীৰ মাজৰ সেই পুৰণি কাঠৰ ঘৰটোতে আমি কলেজীয়া জীৱন কটাইছিলোঁ। ঠাইখিনি আছিল মৰিশালী। সন্মুখত বহল খেল পথাৰ । অধ্যক্ষ চাৰে আমাক কলেজৰ নক্সা দেখুৱাই কৈছিল, কলেজৰ নামত এশ (১০০) বিঘা মাটি আবণ্টন কৰা হৈছে এটা বৃহৎ অঞ্চল। বকো বজাৰৰ পৰা একাষৰীয়া ঠাই। ঠাই খিনি জাৱাপাৱা 'চোকাবাহা' বুলি এই ঠাইৰ মানুহে কয়। সেউজবুলীয়া প্ৰকৃতিৰ মাজত অৱস্থিত। নিৰ্জন ঠাই। দিনতে শিয়াল ওলায়। বেলি মাৰযোৱাৰ পিচতে শিয়ালে 'হোৱা' দিয়ে। পুতি থোৱা মৰা মানুহ টানি টানি খায়।ৰাতি প্ৰস্ৰাৱ কৰিব উঠিলে কোনো কোনো ছাত্ৰৰ ভৱিৰ তলেৰে গাহৰি পোৱালী অহা যোৱা কৰে। প্ৰত্যক্ষ কৰাও কঠিন হয়। বিজুলী বাতি নাই। বিভিন্ন সম্প্ৰদায় তথা বিভিন্ন ধৰ্মৰ ছাত্ৰই এক গোট হৈ বৰ মিলাপ্ৰীতিৰে সেই সময়বোৰ কটাইছিলোঁ। আমাৰ কি যে কপাল। কি যে আনন্দৰ আছিল সেই দিনবোৰ। আজি সপোন সপোন যেন লাগে। সেই সময়, সেই ঠাই, সেই জীৱন, সেই বন্ধু -বান্ধৱী আৰু সেই শিক্ষক সকল। ভাবিলে আজি অভিভূত হওঁ। সময়ে সকলোবোৰ গৰকি গ'ল। স্মৃতিবোৰ থাকিল। এয়ে জীৱন !!

ছাত্ৰাবাসত থাকোতে আজৰি সময় পালেই আমি গাওঁলৈ গৈছিলোঁ।গাওঁৰ

মানুহৰ লগত সুখৰ দুখৰ, খো-খো খেলাৰ কথা পাতিছিলোঁ। বড়ো, ৰাভা সম্প্ৰদায়ৰ লোকেই অধিক আছিল। গাঁওৰ মানুহৰ মাত কথা বোৰত নিজস্বতা আছে। কোনো জটিলতা বা কৃত্ৰিমতা নাই। সহজ সৰল মৰমীয়াল। বৰো অঞ্চলৰ শিল, পাহাৰ, লোক কথা আৰু কলা সংস্কৃতিৰ কথাবোৰ মানুহক সুধিছিলো । পৰা পক্ষত নোটবুকত টুকি ৰাখিছিলোঁ। শেষ কালত লিখি এইবোৰ মই অসম সাহিত্য সভাৰ পত্ৰিকা আৰু অসমৰ আন আলোচনী আৰু বাতৰি কাকতত প্ৰকাশ কৰিছিলোঁ। হানা যোঁৱাৰ ওপৰত প্ৰবন্ধ লিখি 'মনোৰঞ্জন' নামৰ আলোচনীত প্ৰকাশ কৰিছিলোঁ।

পিচে কলেজ খনত আৰু সাহিত্য সংস্কৃতিৰ বহুল পথাৰ খনত কিবা খোজ এৰিব পাৰিলোনে নাই নাজানো। সময়ৰ ধুমুহায় তাক মচি নিব পাৰে। এই কথা কব পাৰো নতুন অনুষ্ঠানটিত আমি এটা খোজ দিবলৈ চেষ্টা কৰিছিলোঁ। খোজতো দিওঁতে আমাক সহায় কৰিছিল সেই সময়ৰ অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ চাৰে। লগতে মোৰ সহপাঠী ছাত্ৰ- ছাত্ৰী বন্ধু- বান্ধৱী সকলে।

মই অস্বীকাৰ নকৰো 'জৱাহৰজ্যোতি' সম্পাদনাৰ ক্ষেত্ৰত মোক সদায়, দিহা পৰামৰ্শ উপদেশ দিয়া এই সকল চাৰক, তেখেতসকল হ'ল - শ্ৰীমদন কাকতি, শ্ৰীধৰ্মকান্ত বৰুৱা, শ্ৰী বসন্ত দত্ত, শ্ৰীশৰৎ তালুকদাৰ। পাঠ্যপুথিৰ শিক্ষা লাভৰ উপৰিও তেওঁ লোকৰ পৰা মই ব্যৱহাৰিক জীৱনৰ যথেষ্ট জ্ঞান- শিক্ষা লাভ কৰিছিলোঁ। মোৰ প্ৰতি থকা তেওঁলোকৰ মৰম চেনেহৰ কথা কেনেকৈ পাহৰিম। তেওঁলোকক সৌজন্যতাৰ বাবে কৃতজ্ঞতা জনোৱাৰ বাহিৰে মোৰ কি আছে। সেইটো মচিব নোৱাৰা সঁচা কথা।

আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত কলেজ কাৰ্যালয়ত মই এজন মানুহক বৰকৈ আমনি দিছিলোঁ। তেওঁ স্বৰ্গীয় কনক দাস, কাৰ্যালয় সহায়ক। চিঠিপত্ৰ টাইপ কৰা , প্ৰবন্ধ নকল কৰা কাগজ পত্ৰ খোজা ইত্যাদি। তেওঁৰ সহযোগিতাৰ কথা মই পাহৰিব নোৱাৰোঁ। তেওঁ হেনো দুৰাৰোগ্য বেমাৰত ঢুকাল। তেওঁৰ আত্মাই চিৰ শান্তি পাওঁক, ভগৱানৰ ওচৰত এয়ে প্ৰাৰ্থনা।

আমি কলেজত পঢ়া সময়ত পঢ়াশুনা কৰাৰ বাবে সীমিত সুবিধা আছিল। তথাপি যি খিনি আমি পাইছিলোঁ সেয়ে আমাৰ জীৱনৰ পৰম সম্পদ আছিল। ছাত্ৰ-ছাত্ৰীও কম আছিল। খোজে প্ৰতি আমাক শিক্ষক সকলে নজৰ দিব পাৰিছিল। তেওঁলোকে আমাৰ দায়িত্বশীল অভিভাৱকত্বও গ্ৰহণ কৰিছিল।

পাঠদানতেই নাথাকি নৱাগত আদৰণি সভা , বাৰ্ষিক উৎসৱ আদিতো ছাত্ৰ-ছাত্ৰী শিক্ষক মিলি আমি একাংকিকা নাট, পূৰ্ণাঙ্গ নাট মঞ্চস্থ কৰিছিলোঁ। সমাজ সেৱাৰ কামও কৰিছিলোঁ। ফলত তেওঁলোকে আমাক বৰ ওচৰত পাইছিল। আমিও তেওঁলোকক ওচৰত পাইছিলো; ফলত মনৰ বিনিময় ঘটিছিল। পৰস্পৰে পৰস্পৰক জনাৰ, বুজাৰ সুবিধা হৈছিল।

এনে ধৰণৰ মধুৰ সম্পৰ্কৰ মাজতে আমাৰ কলেজীয়া জীৱন কেনেদৰে পাৰ হ'ল কবই নোৱাৰিলোঁ। কলেজীয়া জীৱনত আমি তুলনামূলক ভাবে বহু পোৱা নাই। নোপোৱা খিনিতো বাকীয়েই থাকিল। যিখিনি পাই আহিছোঁ তাকো জানো কৰবাত হেৰুৱালোঁ। ভয় হয়, পোৱাই নোপোৱাই আমাৰ জীৱন। আজি সেই সোণোৱালী সুদিন বোৰ স্মৃতি হৈ ৰ'ল। □□□

□□'প্ৰতিখন কিতাপৰ আঁৰত একোজন মানুহ আছে । মানুহজনৰ আঁৰত এটা জাতি আছে । জাতিটোৰ আঁৰত প্ৰাকৃতিক আৰু সামাজিক বাতাৱৰণ আছে । অজ্ঞাতসাৰে এই আটাইবোৰৰ প্ৰভাৱ একোখন কিতাপত প্ৰতিফলিত হয় ।'□□

-লঙ

প্ৰবন্ধ

# আৰাডোঙ্গা গাঁৱত এভূমুকি

মিচ্ জিলী বৰুৱা

প্ৰাক্তন ছাত্ৰী

কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ বকোৰ পৰা ১৬ কি: মিঃ দূৰৰ মেঘালয়ৰ সীমান্তবৰ্তী আৰাডোঙ্গা অঞ্চলত বসবাস কৰা মঙ্গোলীয় গোষ্ঠীৰ অধিকাংশ লোকেই গাৰো সম্প্ৰদায়ৰ লোক। আৰাডোঙ্গা ঠাইখন পাহাৰ আৰু ভৈয়ামৰ সংগম স্থলত অৱস্থিত। পোনতে এই অঞ্চলত নেপালী সম্প্ৰদায়ৰ লোক সকলে বসবাস কৰিছিল যদিও গাৰো সকলৰ লোকসংখ্যা বাঢ়ি অহাৰ ফলত নেপালী লোকসকলে সেই ঠাই এৰি অইন ঠাইলৈ গুচি যায়। পূৰ্বতে এই গাৰোসকল অসমৰ পশ্চিম সীমান্তৰ আৰু বাংলাদেশৰ মৈমনচিং জিলাৰ এক বিস্তৃত অঞ্চলত বসবাস কৰিছিল। পাকিস্তান আৰু বাংলাদেশ ভাগ হোৱাৰ ফলত এওঁলোকে অসমৰ দক্ষিণ গোৱালপাৰা জিলা, দক্ষিণ কামৰূপ জিলাৰ পাহাৰ-ভৈয়াম অঞ্চল আৰু মেঘালয়ৰ গাৰোপাহাৰৰ এক বৃহৎ অঞ্চলত স্থায়ী ভাবে বসবাস কৰিবলৈ লৈছে। বকো সমষ্টিৰ সমীপৱৰ্তী আৰু মেঘালয়ৰ সীমান্তৱৰ্তী আৰাডোঙ্গা গাঁৱৰ অধিবাসীৰ বিশেষকৈ জনজাতীৰ তালিকা ভুক্ত গাৰো সম্প্ৰদায়ৰ লোকসকল সাধাৰণতে খৃষ্টান ধৰ্মী। এওঁলোক কেতিয়াৰ পৰা খৃষ্টান ধৰ্মত দীক্ষিত হ'ল সেই সম্পৰ্কে জনা নযায়। সি যি কি নহওক এই অঞ্চলত বসবাস কৰা গাৰোসকল বকো সমষ্টিৰ (ভৈয়ামৰ) বিভিন্ন লোকৰ লগত বিভিন্ন ক্ষেত্ৰত মিলামিছা কৰা বাবে তেওঁলোকৰ অতীতৰ আচৰণ কিছুমান সলনি হৈছে আৰু দাঁতিকাষৰীয়া অঞ্চলৰ লোকৰ আচৰণ গ্ৰহণ কৰিছে। কিন্তু ধৰ্মৰ ক্ষেত্ৰত এওঁলোকৰ কোনো সলনি হোৱা দেখা নাযায়।

নৃ-তাত্ত্বিক দৃষ্টিকোণৰ পৰা গাৰোসকলে নিজকে 'আচিকমাণ্ড' বুলি পৰিচয় দিয়ে। 'আচিক' শব্দৰ অৰ্থ হ'ল -পাহাৰ আৰু 'মাণ্ডা' শব্দৰ অৰ্থ হ'ল মানুহ। অৰ্থাৎ গাৰোসকল পাহাৰত বাস কৰা মানুহ। গাৰোসকলৰ আদিম বাসস্থান ক'ত আছিল সেই সম্পৰ্কে জনা নাযায়। কিন্তু তেওঁলোকে নিজ জন্মভূমি তিব্বত বুলি বিশ্বাস কৰে। কোনো কোনোৰ মতে এওঁলোক এচিয়া মহাদেশৰ উত্তৰ- পূৰ দিশ অথবা চীন, ব্ৰহ্মদেশৰ পৰা আহি অসম আৰু মেঘালয়ত বসবাস কৰিছিল। আনহাতে এই গাৰোসকলৰ এটা অংশ মঙ্গোলীয় প্ৰজাতিৰ আৰু এওঁ লোক প্ৰাগ ঐতিহাসিক দিনৰ। কিছুমানৰ মতে গাৰোসকল তিব্বত আৰু উত্তৰ -পূৰ চীনৰহে। তিব্বত -বৰ্মীয় ভাষা গোষ্ঠীৰ লোকসকলে অসমৰ উত্তৰ কাছাৰ আৰু ত্ৰিপুৰা ৰাজ্যত বসবাস কৰে। ভাষাবিদ Grierson চাহাবে তেওঁৰ Linguistic Survey of India ত কৈছে যে ভাৰতৰ এই সকলোবোৰ জনজাতীয় গোষ্ঠী কছাৰী সকলৰ লগত মিল আছে।

নৃ-তাত্ত্বিক সকলে গাৰোসকলৰ শাৰীৰিক গঠন সম্পৰ্কে উল্লেখ কৰি কৈছে যে এওঁলোকৰ মুখবোৰ সৰু আৰু গোল, চকুৰ আকাৰ সৰু সৰু, কপাল উঠঙা, চকুৰ পতাবোৰ সোমোৱা, নাক চুটি আৰু বহল। এওঁলোকৰ গাৰ বং পাতল বাদামি, হালধীয়া আৰু চুলিবোৰ পোন। এই সমাজত বাস কৰা পুৰুষ সকল প্ৰায় ৫ফুট ওখ আৰু তেনে দৰে মহিলা সকলো ৪/৫ ফুট ওখ। মহিলা বিলাক সিমান ধুনীয়া নহয়, কিন্তু দেহটো আটিল। হাঁহি মুখীয়া যদিও আকৰ্ষণীয় নহয়। মুখৰ ওপৰ পাৰিৰ ওঠ ডাঙৰ। কাণত ডাঙৰ কাণফুলি আৰু নিজৰ নীতিগত অলংকাৰ পিন্ধে।

শাৰীৰিক গঠনত বিশেষকৈ ভৈয়ামৰ কছাৰী জনজাতি সকলৰ লগত এওঁলোকৰ মিল আছে। ভৈয়ামৰ লোকসকলৰ লগত মিল থোৱাৰ ফলত তেওঁলোকে তেওঁলোকৰ স্বকীয় ভাষা এৰি বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অসমীয়া ভাষাৰ লগত মিলি গৈছে। এসময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জনজাতি আহোম আৰু চুতীয়া সকলৰ অধীনত অসমৰ ভিন ভিন জনজাতি অঞ্চলত বসবাস কৰিবলৈ লৈছিল। অসমৰ জনজাতিসকলে বিভিন্ন অঞ্চলত বসবাস কৰিবলৈ লোৱাৰ দৰে এই মঙ্গোলীয় গোষ্ঠীৰ গাৰোসকলেও অসমৰ পাহাৰীয়া দাঁতিকাষৰীয়া অঞ্চলবোৰত স্থায়ী ভাবে বসবাস কৰিবলৈ লয়। অসমৰ পৰ্বত ভৈয়ামত বসবাস কৰা গাৰো সকলে খ্ৰীষ্টান ধৰ্মৰ দীক্ষা লয়। খ্ৰীষ্টান ধৰ্মৰ দীক্ষা লোৱাৰ পিচৰ পৰাই এওঁলোকে ভৈয়ামৰ জনজাতি সকলৰ পৰা পৃথক সম্প্ৰদায়ৰ গোট হিচাপে পৰিচয় দিবলৈ ধৰে। নগা সকলৰ দৰে এওঁলোকও ভৈয়াম জনজাতি সকলতকৈ কিছু পৃথক। চিকাৰ আৰু পাহাৰীয়া খাদ্য খাই এওঁলোকে ভাল পায়।

ঐতিহাসিক দৃষ্টি কোণৰ পৰা অসম আৰু মেঘালয়ৰ পৰ্বত ভৈয়ামৰ বিভিন্ন অঞ্চলত বসবাস কৰা গাৰো সম্প্ৰদায়ৰ বিচাৰ বিশ্লেষণ বিস্তৃতভাবে নকৰি আমি নৃতত্ত্ব বিভাগৰ অধ্যয়নশীল ছাত্ৰ -ছাত্ৰী হিছাপে অধ্যয়ন কৰিবলৈ যোৱা বকোৰ পৰা ১৬ কি: মি: দূৰত অৱস্থিত মেঘালয় ৰাজ্যৰ আৰাডোঙ্গা অঞ্চলত বসবাস কৰা এই গাৰো সম্প্ৰদায়ৰ জীৱন পদ্ধতি, ধ্যান -ধাৰণাৰ বিষয়ে চমু বিৱৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিলোঁ।

'আৰ' নামৰ সুঁতিৰ পাৰত অতীতত কিছুমান নেপালী লোকে বাস কৰিছিল। তেওঁ লোকে তাত কাঠফলা কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। এই সুঁতি তেওঁলোকৰ ভাষাত 'আৰাডোং' নামেৰে উচ্চাৰণ কৰিছিল। কিছু বছৰ পিছত

তেওঁলোকে সেই ঠাই এৰি গুছি যোৱাত এই সুঁতিৰ পাৰত গাৰো সম্প্ৰদায়ৰ লোক সকলে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ পিছৰ পৰাই গাওঁখনৰ নাম 'আবাডোঙ্গা' হৈছে। পাহাৰ ভৈয়ামৰ সংগম স্থলত অৱস্থিত গাওঁখনৰ চাৰিসীমা হ'ল দক্ষিণ দিশত - বাঙ্গোল পাৰা গাওঁ আৰু পাহাৰ, উত্তৰ দিশত -উমাৰু পাহাৰ, পূব দিশত - আঠীয়াবাৰী গাওঁ আৰু পশ্চিম দিশত মকৰাং অৱস্থিত।

'আবাডোঙ্গা' অঞ্চলৰ জলবায়ু বসবাসৰ কাৰণে বৰ উপযোগী। কিন্তু শীতকালত কেতিয়াবা কেতিয়াবা ইয়াৰ শীত অতি প্ৰখৰ হৈ পৰে। পাহাৰৰ নামনিত অৱস্থিত আবডোঙ্গা ঠাইডোখৰ মুকলি পৰিবেশৰ বাবে ইয়াৰ চাৰিওফালৰ বাতাবৰণ, জন জীৱনৰ জীৱন ধাৰণ আৰু বসবাসৰ উপযুক্ত ঠাইৰূপে চিহ্নিত হৈ পৰিছে। সেইবাবে এই অঞ্চলত নাৰিকল, কমলা, কলগছ, তামোল, আম, নানান ফুল, মূল্যবান গছ-গছনিৰ উৎপাদন প্ৰচুৰ পৰিমাণে হয় আৰু এই অঞ্চলৰ লোক সকলে গৃহস্থলী জীৱনত গৰু, মহ, গাহৰি, কুকুৰ, মেকুৰী, পাৰ আৰু কুকুৰাচৰাই আদি পোহে।

আবাডোঙ্গা গাওঁখনৰ মাজেৰে যোৱা পথটো পকী হোৱা বাবে ই যাতায়তৰ বাবে সুচল। এই ৰাস্তাইদি বাছ, মিনিবাছ, অ'টো ইত্যাদি চলিব পাৰে। গাওঁখনৰ ইমূৰৰ পৰা সিমূৰলৈ যোৱা যাতায়তৰ ব্যৱস্থা ভাল। গাওঁখনত ৰাস্তাৰ দুয়োফালে পৰিয়াল বোৰে বসবাস কৰে। আবাডোঙ্গা গাওঁখনত ৰাইজৰ সুবিধাৰ কাৰণে বাজহুৱা জিৰণি কোঠা নাই। কিন্তু তাত 'আবাডোঙ্গা' নামৰ 'য়ুউথ' ক্লাব এটা আছে। আবাডোঙ্গা গাঁওখনত কৃষিৰ কাৰ্যালয়, ডাকঘৰ আৰু ধৰ্মপ্ৰচাৰৰ কাৰণে গীৰ্জা ঘৰো আছে। গাওঁখনত পুৰণি পৰম্পৰাগত সাজ- পোচাকৰ কনো পৰিবৰ্তন হোৱা নাই। বিবাহ, উৎসৱ আদিত তেওঁলোকে পৰম্পৰাগত সাজপোচাক পৰিধান কৰে। গাৰো সকলৰ ছোৱালীবোৰৰ পৰম্পৰাগত সাজপোচাক ডাকমণ্ডা, বিনকিং ফ্ৰক্ আৰু ল'ৰাবোৰে চাৰ্ট আৰু লংপেণ্ট পিন্ধে। গাৰো সমাজৰ পুৰণি অলংকাৰবোৰ হ'ল চেইন, কাণৰ ৰিং আৰু নেক্‌লেচ। তেওঁলোকৰ সমাজত পুৰণি সাজপোচাকৰ দৰে পুৰণি অলংকাৰো ব্যৱহৃত হৈ আছে।

## আৰডোঙ্গা গাঁৱত জৰীপ কৰা তাৰিখ-১০/১২/৯৬ ইং

তালিকা নং- (১)

| মুঠ পৰিয়ালৰ সংখ্যা | পুৰুষ | মহিলা | মুঠ |
|---|---|---|---|
| ৪০ | ১০৫ | ১৩৫ | ২৪০ |

নৃ-তাত্বিক সকলৰ মতে জাতীয় জীৱনত অৰ্থনীতি আৰু নৃ-তত্বৰ মাজত এটি সুস্থ সম্বন্ধ আছে। উৎপাদনমুখী, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ধাৰ্মিক জীৱনৰ স্বৰূপ দাঙি ধৰাত অৰ্থনৈতিক সুস্থিৰতাই সমাজৰ ইতিহাস ৰচনা কৰে। Karl Marx ৰ মতে 'Man is the social production which they carryon , enter into definite relation which are indespensable and independent of their wills and these relation correspond to a definite state in the development of their material powers of production.' সমাজৰ অৰ্থনৈতিক দিশ গঠনত উৎপাদনে সহায় কৰাৰ লগে লগে ৰাজনৈতিক আৰু সাংস্কৃতিক দিশবো ভেটি গঢ়ি তোলে। আনকি ধৰ্মীয় দিশতো প্ৰভাৱ পেলায়। অৰ্থনৈতিক সুস্থিৰতাই সমাজৰ ভিন ভিন দিশত পৰিবৰ্তন আনে। কাৰণ সমাজৰ বিভিন্ন দিশত ইয়াৰ প্ৰতিফলন ঘটে আৰু সামাজিক জীৱন সমৃদ্ধিশালী হয়।

তালিকা নং-( ২ )

*পৰিয়ালৰ ধৰণ ঃ*

| একক পৰিয়াল | | | যৌথ পৰিয়াল | | |
|---|---|---|---|---|---|
| সংখ্যা | জনসংখ্যা | শতকৰা | সংখ্যা | জনসংখ্যা | শতকৰা |
| ২৯ | ১৫৬ | ১৮·৫৮ | ১১ | ৮৪ | ১৩·০৯ |

আবাডোঙ্গা গাঁওখনৰ মানুহ বোৰৰ প্ৰধান জীৱিকা কৃষি । তেওঁলোকে শালি ,ঝুম আদি বিভিন্ন ধৰণৰ খেতি কৰি শস্য উৎপাদন কৰে। পুৰুষ সকলে হালবোৱা, ঘৰৰ টান কামবোৰ কৰে আৰু মহিলা সকলে গুটি সিঁচা, মৰণামৰা কামত সহায় কৰে। তেওঁলোকে খেতিপথাৰত কোনো ৰসায়নিক সাৰ ব্যৱহাৰ নকৰে। গাঁওখনৰ মানুহ বোৰে খেতি কৰিবৰ কাৰণে বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে। গাৰোসকলৰ ঝুম খেতিয়েই প্ৰধান খেতি। এওঁলোকে অইন সম্প্ৰদায়ৰ দৰে ধান ৰোৱাৰ সময়ত উৎসৱ পালন নকৰে। কিন্তু ধান চপোৱাৰ সময়তহে গীৰ্জাত গৈ প্ৰাৰ্থনা কৰে আৰু তেওঁলোকৰ নিয়ম মতে অলপ ধান বা চাউল গীৰ্জাত দান কৰে। ইয়াৰ উপৰিও নাৰিকল, কল, কমলা আদি গীৰ্জাত দান কৰি প্ৰাৰ্থনা কৰে। গীৰ্জাত তেওঁলোকে নতুন ধান বা অন্য বস্তু দান নকৰালৈকে কোনেও সেই ধানৰ ভাত আৰু অন্যান্য উৎপাদন কৰা বস্তুবোৰ নাখায়। গাঁৰো সমাজত এইটোৱেই পৰম্পৰাগতভাৱে চলি অহা খেতিৰ নিয়ম ।গাৰো সকলে গো-মাংস, মাছ, কণী আদি বিভিন্ন খাদ্য খায়। এই বোৰৰ উপৰিও মাছৰ গুৰি তেওঁলোকৰ প্ৰিয় খাদ্য। গাৰো সমাজত মানুহে

তালিকা নং- (৩)

<u>প্ৰচলিত ভাষা</u>

| কথিত ভাষা | মুখ্য | | | গৌণ | | |
|---|---|---|---|---|---|---|
| | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ |
| গাৰো | ১০৪ | ১০৯ | ২১৩ | - | - | - |
| ইংৰাজী | ১০ | ১৬ | ২৬ | - | - | - |
| হিন্দী | - | - | - | ২৫ | ৭ | ৩২ |
| অসমীয়া | - | - | - | ৪১ | ২৩ | ৬৪ |
| খাছী | ১ | - | ১ | - | - | - |
| মুঠ | ১১৫ | ১২৫ | ২৪০ | ৬৬ | ৩০ | ৯৬ |

তালিকা নং ( ৪ )

***জীৱিকাৰ ধৰণ***

| জীৱিকাৰ ভাগ | মুখ্য জীৱিকা | | | | গৌণ জীৱিকা | | | |
|---|---|---|---|---|---|---|---|---|
| | পুৰুষ | শতকৰা | মহিলা | শতকৰা | পুৰুষ | শতকৰা | মহিলা | শতকৰা |
| আনৰ ওপৰত নিৰ্ভৰশীল | ৩৭ | ১৫·৪ | ১০৪ | ৪৩·৩৩ | - | - | - | - |
| কৃষি কাৰ্য | ২৪ | ১০.০০ | ২ | ০·৮৩ | ১১ | ৪·৫৮ | - | - |
| চাকৰি | ২৮ | ১১·৬৬ | ১০ | ৪·১৬ | - | - | - | - |
| ব্যৱসায় | ১০ | ৪·১৬ | ১২ | ৫.০০ | ৩ | ১·২৫ | - | - |
| বনুৱা | ৪ | ১·৬৬ | - | - | - | - | - | - |
| গাড়ী চালক | ২ | ০·৮৩ | - | - | - | - | - | - |
| সামাজিক কাম | - | - | - | - | - | - | - | - |
| কাপোৰ বোৱা | - | - | ৭ | ২·৯১ | - | - | ১ | ০·৪১ |
| মুঠ | ১০৫ | ৪৩·৭১ | ১৩৫ | ৫৫·৩২ | ১৪ | ৫·৮৩ | ১ | ০·৪১ |

তালিকা নং ( ৫ )

***শিক্ষাৰ অৱস্থা***

| শিক্ষাৰ স্তৰ | পুৰুষ | শতকৰা | মহিলা | শতকৰা |
|---|---|---|---|---|
| নিম্নস্থ বয়স | ১৫ | ৬.২৫ | ১১ | ৪.৫৮ |
| নিৰক্ষৰ | ১২ | ৫ | ২৪ | ১০ |
| প্ৰথম -চতুৰ্থলৈ | ১৬ | ৬·৬৬ | ২৭ | ১১·২২ |
| পঞ্চম -সপ্তমলৈ | ২০ | ৮·৩৩ | ২১ | ৮.৭৫ |
| অষ্টম - অষ্টম- দশমলৈ | ২৩ | ৯·৫৮ | ৪২ | ১৭·৫ |
| উচ্চতৰ মাধ্যমিক | ১৫ | ৬·২৫ | ৮ | ৩·৩৩ |
| স্নাতক আৰু ওপৰ | ৪ | ১·৬৬ | ২ | ০·৮৩ |

মদ খালেও ঘৰত নবনায়। তেওঁলোকে পৰম্পৰাগত উৎসৱ অনুযায়ী বিভিন্ন ধৰণে বিভিন্ন খাদ্য খায়। গাঁওখনত শিক্ষা গ্ৰহণৰ কাৰণে দুখন স্কুল আছে। Holy Cross Girls School আৰু Higher Secondary School. Holy Cross Girls School ৰ শিক্ষাৰ মাধ্যম গাৰো, অসমীয়া আৰু Higher Secondary School ৰ শিক্ষাৰ মাধ্যম গাৰো। গাঁওখনৰ শিক্ষাৰ প্ৰধান সমস্যা হ'ল উচ্চ শিক্ষাৰ কাৰণে মহাবিদ্যালয় নাই। উচ্চ শিক্ষা লবৰ কাৰণে তুৰা আৰু চিলঙলৈ যাব লাগে। গাঁওখনত আন এটা প্ৰধান সমস্যা হ'ল চিকিৎসালয়। তেওঁলোকে চিকিৎসাৰ বাবে হাঁহিম বা বকোলৈ আহিব লাগে। গাঁওখনত দোকান আছে যদিও ইয়াত লাগতিয়াল বস্তুবোৰ পোৱা নাযায় বাবে গুৰুত্বপূৰ্ণ সামগ্ৰীবোৰ কিনিবৰ কাৰণে হাঁহিম বা বকো বজাৰলৈ আহিব লাগে। তেওঁলোকে দালি, চেনি, ঔষধপাতি, মছলা, নিমখ, তেল ইত্যাদি হাঁহিম বজাৰৰ দোকানত কিনিবলৈ আহে কিন্তু মাছ, মাংস এই বোৰ বজাৰৰ পৰা নিকিনে তেওঁলোকে ঘৰতে খায়। আবাডোঙ্গা গাঁওখনত পানী যোগানৰ বাবে চৰকাৰী সু- ব্যৱস্থা আছে। সীমিত পৰিয়ালবহে নিজা পাইখানাৰ ব্যৱস্থা আছে ।

আবাডোঙ্গা গাঁওখন মেঘালয় ৰাজ্যৰ অন্তৰ্ভুক্ত পশ্চিম খাছী পাহাৰ জিলাত অৱস্থিত আৰু ই যথেষ্ট ডাঙৰ । গাঁওৰ বেছিভাগ লোকেই শিক্ষাৰ ক্ষেত্ৰত পিছপৰা আৰু অৰ্থনৈতিক ভাৱেও তেনেই অনগ্ৰসৰ । যিহেতু উক্ত ঠাইখনৰ উন্নয়নৰ লগত সামগ্ৰিকভাৱে ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থ জড়িত হৈ আছে, গতিকে ইয়াৰ সকলো দিশৰ উন্নয়নৰ কাৰণে সকলো পৰ্যায়ৰ লোকে চিন্তা কৰাৰ অৱকাশ আছে ।□□□

প্ৰবন্ধ

# মোৰ দৃষ্টিত পুণা চহৰ

□ দিগন্ত কুমাৰ দাস
প্ৰবক্তা, ইতিহাস বিভাগ

উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়ি থাকোতেই পুণা চহৰৰ প্ৰতি এক দুৰ্বলতা গঢ়ি উঠিছিল। হোষ্টেলৰ আবাসীসকলৰ মাজত প্ৰায়েই পুণা বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে চৰ্চা হৈছিল। ইতিমধ্যে আমাৰ কিছুমান অগ্ৰজ ছাত্ৰই তাত শিক্ষা গ্ৰহণ কৰি অসমলৈ ঘূৰি আহিছিল । তেওঁলোকৰ মুখত পুণা বিশ্ববিদ্যালয়ৰ শিক্ষা পদ্ধতি, চহৰখনৰ অধিবাসীৰ জীৱন যাপনৰ মানদণ্ড, ধৰ্ম, সংস্কৃতি আৰু পৰ্যটন অঞ্চলৰ বিষয়ে শুনি পূৰ্বতকৈয়ো তালৈ যোৱাৰ প্ৰতি ধাউতি বাঢ়িছিল আৰু সেই বিশেষ দিনটোলৈ আতি আগ্ৰহেৰে অপেক্ষা কৰি আছিলো । অৱশেষত সেই বিশেষ দিনটো সমাগত হৈছিল । কাৰণ ইতিমধ্যে আমাৰ স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা সমাপ্ত হৈছিল । তাৰ পিছতেই ১৯৯৩ চনৰ ৪ জুলাই তাৰিখে মই পঢ়া কলেজৰখনৰ ৪০জন ছাত্ৰ-ছাত্ৰীৰ সৈতে পুণা অভিমুখে যাত্ৰা কৰিছিলো । পুণা যাত্ৰাৰ প্ৰধান উদ্দেশ্য আছিল পুণা বিশ্ব বিদ্যালয়ত স্নাতকোত্তৰ শিক্ষা লাভ কৰা । যথা সময়ত আমি মুম্বাইত উপস্থিত হৈছিলো । মুম্বাইত আমি এখন বাছ সংৰক্ষণ কৰি পুণা অভিমুখে পুণৰ যাত্ৰা কৰো । মুম্বাইৰ পৰা পুণালৈ বাছ অথবা ৰেলৰে যাব পাৰি । অৱশ্যে টেক্সীৰো সুব্যৱস্থা আছে । যিয়েই নহওক মুম্বাই পুণা ভ্ৰমণ এতিয়াও মোৰ মনত সজীৱ হৈ আছে । আমি যিটো সময়ত পুণালৈ গৈছিলো সেইটো সময়ত ইয়াত ধাৰাষাৰ বৰষুণ হয় । সেয়েহে সম্পূৰ্ণ প্ৰত্যাশিতভাৱে আমি মুম্বাই পুণা পথত বৰষুণ পাওঁ । মুম্বাই- পুণা পথটো আমাৰ গুৱাহাটী-শ্বিলং পথৰ লগত বিজাব পাৰি । সমগ্ৰ পথটোৱেই উঠা নমা । মাজে মাজে নিচেই ওচৰৰ পৰা দেখা যায় কলকলাই থকা জলপ্ৰপাত সমূহ । এই পথৰ নিচেই কাষতে অৱস্থিত বিভিন্ন দেশী বিদেশী পৰ্যটকৰ আকৰ্ষণৰ স্থান খাণ্ডালা আৰু লোনাৱালা । ইয়াতেই বিভিন্ন ভাৰতীয় চিনেমাৰ দৃশ্য গ্ৰহণ হয় । এই যাত্ৰাত উপভোগ কৰিব পৰা এই দুখনেই হ'ল প্ৰধান ঠাই । উল্লেখযোগ্য যে সুউচ্চ এই পথটোত বাছৰ দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা অধিক । কিন্তু প্ৰকৃতিৰ মনোৰোম দৃশ্যৰ দ্বাৰা আত্মহাৰা হৈ আমাৰ তেনেকুৱা ধৰণৰ কোনো দুঃচিন্তা অহা নাছিল । অৱশেষত প্ৰায় চাৰি ঘণ্টা আপোনপাহৰা হৈ কেনেকৈ আমাৰ গন্তব্য স্থান পুণা চহৰ পালো গমেই নাপালো । যিয়েই নহওক যথা সময়ত পুণা বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি হ'ল আৰু দুবছৰ কাল শিক্ষাৰ নামত পুণাত থকাৰ সৌভাগ্য হ'ল । এই চমু সময়তে পুণাৰ ঐতিহ্য, শিক্ষা-সংস্কৃতি, ৰাজহুৱা জীৱন আদি কেইটামান দিশৰ প্ৰতি মই আকৰ্ষিত হৈছিলো ।

শিক্ষা, সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি সভ্যতা সকলো দিশতে চৰম উৎকৰ্ষ সাধন কৰা পুণা বৰ্ত্তমান মহাৰাষ্ট্ৰৰ ভিতৰতে দ্বিতীয় বৃহত্তম চহৰ হিচাপে পৰিগণিত হৈছে । ঐতিহ্য মণ্ডিত এই নগৰখনতেই সপ্তদশ শতিকাত ছত্ৰপতি শিৱাজীয়ে মাৰাঠা শক্তিক একত্ৰিত কৰি মোগল সাম্ৰাজ্যৰ প্ৰতি নিজে প্ৰত্যাহবান স্বৰূপ হৈ পৰিছিল । এই চহৰৰ পৰা কিছু দূৰত অৱস্থিত ৰায়গড় নামে ঠাইত শিৱাজীয়ে মাৰাঠা ৰাজ্যৰ ৰাজধানী পাতিছিল । শিৱাজীৰ মৃত্যুৰ পিচত এই চহৰতেই পুনৰ মাৰাঠা শক্তিক অপ্ৰতিৰোদ্ধ কৰি তুলিছিল পেছোৱাসকলে । আনকি পেছোৱা সকলক মোগল সাম্ৰাজ্যৰ ক্ৰমাগত পতনৰ সময়ত মোগল শক্তিৰ উত্তৰাধিকাৰী হিচাপে গণ্য কৰা হৈছিল। পেচোৱাসকলে এই পুণা চহৰতেই তেওঁলোকৰ ৰাজধানী পাতিছিল। বালাজী বিশ্বনাথ, বাবাজীও, সম্ভাজী আদি দক্ষ মাৰাঠা নেতাই এই পুণাৰ পৰাই , নাগপুৰ, গোৱালিয়ৰ,বৰোদা আদিৰ শাসন সুনিয়ন্ত্ৰিতভাৱে পৰিচালনা কৰিছিল। এই পুণাতেই পেছোৱাসকলে তেওঁলোকৰ সুবিশাল তথা শক্তিশালী দুৰ্গ নিৰ্মান কৰিছিল। 'শনিবাৰ ৱাডা ' নামৰ এই দুৰ্গটোৱে পেছোৱাসকলৰ যুদ্ধ প্ৰয়াসী মানসিকতাৰ পৰিচয় দিয়ে।শিৱাজী আৰু পেছোৱাসকলৰ দিনতেই ঠন ধৰি উঠা পুণা ভাৰতৰ স্বাধীনতা আন্দোলনৰো এক প্ৰধান কেন্দ্ৰ হিচাপে পৰিগণিত হয়। ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠাৰ পূৰ্বৰ পৰাই পুণাৰ জনসাধাৰণৰ মাজত বৃটিছ অপশাসনৰ বিৰুদ্ধে জাতীয় জাগৰণৰ সৃষ্টি হৈছিল। ফলস্বৰূপে ইয়াত কিছুমান জাতীয়তাবাদী ৰাজনৈতিক সংগঠনৰ জন্ম হৈছিল। এই বিলাকৰ ভিতৰত পুণা সাৰ্বৰ্জনীক সভা আছিল উল্লেখযোগ্য । মহাদেৱ গোবিন্দ ৰানাডে আৰু গণেশ বাসুদেৱ যোশী এই সংগঠনৰ প্ৰতিষ্ঠাপক আছিল। এই সংগঠনে জনসাধাৰণক তেওঁ লোকৰ ৰাজনৈতিক অধিকাৰ সাংবিধানিক ভাবে সাব্যস্ত কৰিবলৈ অনুপ্ৰেৰণা যোগাইছিল। উক্ত সংবিধানৰ জৰিয়তে ৰাণাডে ঔদ্যোগিক বিপ্লৱৰ পোষকতা কৰি ইয়াৰ অবিহনে জাতিৰ উন্নতি অসম্ভৱ বুলি দোহাৰিছিল।পুণাতেই জন্মহোৱা এই সংগঠনেই পাছলৈ ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্মত অৰিহনা যোগাইছিল। ঠিক তেনে দৰে ১৯শতিকাৰ প্ৰথমাৰ্দ্ধত সমগ্ৰ ভাৰতত দেখাদিয়া ধৰ্ম আৰু সমাজ সংস্কাৰ আন্দোলনে পুণাকো স্পৰ্শ কৰিছিল। এই সময়তে ব্ৰাহ্মসমাজ, প্ৰাৰ্থনাসমাজ,ইত্যাদি সংস্কাৰধৰ্মী সংগঠনৰ দৰে পুণাতো এক সংগঠনৰ জন্ম হৈছিল।মানবতাবাদী নেতা জ্যোতিবা ফুলেৰ তৎপৰতাত প্ৰতিষ্ঠা হোৱা এই সংগঠনটোৰ নাম আছিল 'সত্যশোধক সমাজ '। মানৱ সমাজৰ সৰ্বাংগীন কল্যাণৰ বাবে জীৱন উৎসৰ্গা কৰা এইগৰাকী মাৰাঠা মনীষীয়ে হৰিজন আৰু সমাজৰ অন্যান্য শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ বাবে এখন উমৈহতীয়া বিদ্যালয় স্থাপন কৰি এক মহত দৃষ্টান্ত দাঙি দৰিছিল। বৰ্ণ প্ৰথাৰ ঘোৰ বিৰোধী জ্যোতি বা ফুলে নিৰ্ভিকভাৱে কৈছিল - "Keep off the religioustents,there is very little truth in them", জ্যোতিবা ফুলেৰ এই আদৰ্শৰ দ্বাৰাই অনুপ্ৰাণিত হৈ পৰৱৰ্তী কালৰ ভীমৰাও আম্বেদকাৰে নিজৰ জীৱন হৰিজন সকলৰ উন্নতিৰ নামত উৎসৰ্গা কৰিছিল। আন এক তেনে মহৎ অনুষ্ঠান প্ৰাৰ্থনা সমাজে অন্যান্য সংস্কাৰমূলক কামৰ বাহিৰেও পুণাৰ শিক্ষা বিভাগত অভূতপূৰ্ব অবদান যোগাইছিল। এই সময়ত গঠিত হোৱা Deccan Education Society য়ে যুৱকসকলক দেশৰ বাবে নি:স্বাৰ্থ সেৱা আগবঢ়াব

পৰাকে শিক্ষা প্ৰদান কৰিছিল। এই Society য়ে পুণাত প্ৰতিষ্ঠা কৰা দুখন উল্লেখযোগ্য শিক্ষানুষ্ঠান হৈছে ফাৰ্গুছন কলেজ আৰু ডেক্কন কলেজ। উল্লেখযোগ্য যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন পুণাতেই অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিছিল। কিন্তু ১৮৮৫ চনত পুণাত ভয়ংকৰ কলেৰা মহামাৰীয়ে দেখা দিয়াত এই অধিবেশন বোম্বাইত অনুষ্ঠিত হয়। ইয়াৰ পিছত ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক মহাসাধক লোকনাথ তিলকেও তেওঁৰ সংগ্ৰামী জীৱনৰ পাতনি মেলে এই পুণা চহৰতে। এজন উগ্ৰ, নি:স্বাৰ্থ দেশ প্ৰেমিক হিচাপে মাৰাঠা জাতিৰ অতীত গৌৰৱৰ পুনৰুদ্ধাৰৰ দ্বাৰা তিলকে পুণাবাসিক স্বাধীনতাকামী কৰি তুলিছিল। মাৰাঠাৰ জাতীয় চেতনাক জগাই তুলিবলৈ তিলকে ১৮৯৯ চনত 'গণপতি' আৰু 'শিৱাজী' উৎসৱৰ প্ৰচলন কৰে। তেতিয়াৰ পৰাই উক্ত উৎসৱ দুবিধ পুণাৰ লগতে সমগ্ৰ মহাৰাষ্ট্ৰৰে প্ৰধান ধৰ্মীয় তথা জাতীয় উৎসৱ হিচাপে প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰিছে। এই পুণাতেই ১৯৩২ চনত কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনৰ সিদ্ধান্তমৰ্মে ঐতিহাসিক পুণা চুক্তি স্বাক্ষৰিত হয়। বিভিন্ন সাম্প্ৰদায়ৰ মাজত একতা অটুত ৰখাৰ উদ্দেশ্যে স্বাক্ষৰিত এই চুক্তিখনে হিন্দু সমাজৰ বিভাজনমুখী মনোভাৱক বাধা দিবলৈ সক্ষম হয়। এনেদৰে মহাৰাজ শিৱাজীৰ উত্থানৰ পৰা ভাৰতৰ স্বাধীনতা আন্দোলনৰ বহুতো গুৰুত্ব পূৰ্ণ ঘটনাৰ জীৱন্ত স্বাক্ষৰ বহন কৰে ঐতিহ্যমণ্ডিত পুণা চহৰে।

বৰ্তমান পুণাবাসীৰ মন কৰিবলগীয়া এটাগুৰুত্বপূৰ্ণ বিষয় হ'ল তেওঁলোকৰ নিখুঁত স্বদেশ প্ৰেম আৰু জাতীয়তাবোধ। মাৰাঠা শক্তিৰ প্ৰতিষ্ঠাতা শিৱাজী বৰ্তমান পুণা বাসীৰ বাবে ভগৱানস্বৰূপ। জাতীয়বীৰ শিৱাজীক ভগৱানৰ অৱতাৰ বুলি স্বীকৃতি দি বছৰি 'শিৱাজী' উৎসৱ পালন কৰে। আনকি এই জন জাতীয় বীৰক লৈ বহুতো আখ্যান উপাখ্যান আদিবো সৃষ্টি হৈছে। চহৰখনৰ বিভিন্ন উল্লেখযোগ্য স্থানত খোদিত শিৱাজী, সম্ভাজী, তিলক, জ্যোতিবাফুলে, আম্বেদকাৰ আদিৰ মূৰ্তি দেখিলে ইয়াৰ মানুহে শ্ৰদ্ধা সহকাৰে মূৰ দোৱায়। ইয়াৰ জনসাধাৰণৰ এই অস্তিত্ববোধৰ বাবেই মাৰাঠা ইতিহাস ভাৰতীয় ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অঙ্গ হৈ পৰিছে। এই খিনিতে উল্লেখ কৰিব পাৰি যে অসমীয়া জাতিৰ জাতীয়তাবোধ তুলনামূলক ভাৱে কম। প্ৰসঙ্গক্ৰমে উনুকিয়াব পাৰি যে শিৱাজী, পেছোৱা, তিলক, আম্বেদকাৰ আদিৰ তুলনাত আমাৰ লাচিত বৰফুকন, কুশল কোঁৱৰ, গোপীনাথ বৰদলৈ, তৰুণৰাম ফুকন আদিৰ গুৰুত্ব কোনো গুণে কম নহয়। যিয়েই নহওক অসমীয়া জাতিৰ জাতীয়তাবোধৰ অভাৱ বা অতীত গৌৰৱৰ প্ৰতি থাকিবলগীয়া প্ৰয়োজনীয় শ্ৰদ্ধা ভক্তিৰ অভাৱে সৰ্বভাৰতীয় পৰ্য্যায়ত ইয়াৰ ঐতিহ্য হ্ৰাস কৰিছে। সেয়েহে নিজা জাতি তথা ঐতিহ্যক লৈ গৌৰৱ কৰাৰ মানসিকতা থকাৰ ফলতেই পুণাত এক শ্ৰেণীৰ ঐতিহাসিকৰ সৃষ্টি হৈছে। এওঁলোকৰ কিছুমানে ইতিহাস ৰচনা কৰাৰ উপৰিও ব্যক্তিগত উদ্যোগত কিছুমান পুৰাতত্ত্ব বিভাগ গঠন কৰি মাৰাঠা ইতিহাসৰ ভড়াল টনকিয়াল কৰিছে।

ঐতিহ্যমণ্ডিত পুণা চহৰে ভাৰতবৰ্ষৰ শিক্ষা ক্ষেত্ৰত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। দেশী - বিদেশী ছাত্ৰ ছাত্ৰীৰ মিলনভূমি এই পুণাত কেইবাখনো বৌদ্ধিক চিন্তা-চৰ্চা, গৱেষণা আৰু উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান আছে। প্ৰাক্ স্বাধীন কালত পুণাত Deccan Education Society য়ে এক বলিষ্ঠ ভূমিকা লৈছিল। ইয়াৰ উদ্যোগতেই পুণা চহৰৰ পৰা প্ৰায় ১২কিলোমিটাৰ নিলগত ডেক্কন কলেজ গঢ়ি উঠিছিল। এই খন এখন স্বায়ত্তশাসিত বিশ্ববিদ্যালয় বুলি ক'ব পাৰি। ইয়াত ভাৰতীয় পুৰাতত্ত্ব বিষয় অধ্যয়ন কৰিবলৈ বিদেশৰ পৰাও বহুতো ছাত্ৰ ছাত্ৰী আহে। এই Society ৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা উচ্চ শিক্ষাৰ আন এক অনুষ্ঠান হ'ল ফাৰ্গুচন কলেজ। বৰ্তমান পুণা বিশ্ববিদ্যালয়ৰ অধীনৰ এই কলেজখন পুণাৰ অন্যতম ব্যস্ততাপূৰ্ণ অঞ্চল ডেক্কনত অৱস্থিত। ১৮৮৫ চনতেই স্থাপিত উক্ত কলেজ খনৰ পৰা ভাৰতবপ্ৰখ্যাত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, মোৰাজী দেশাইয়ে শিক্ষা লাভ কৰে। আনহাতে পুণা চহৰৰ উচ্চ শিক্ষাৰ অন্যতম অনুষ্ঠান পুণা বিশ্ববিদ্যালয়ক প্ৰাচ্যৰ অক্সফ'ৰ্ড বুলি কোৱা হয়। আধুনিক শিক্ষা ব্যৱস্থাৰ সকলো সা সুবিধাৰে পৰিপূৰ্ণ এই বিশ্ববিদ্যালয়খনে দেশীয় ছাত্ৰৰ উপৰিও বিদেশী ছাত্ৰকো আকৰ্ষণ কৰি আহিছে। ইয়াত পদাৰ্থ বিজ্ঞান, দৰ্শন অধ্যয়ন কৰিবলৈ থাইলেণ্ড অষ্ট্ৰেলিয়া, পেলেষ্টাইন, ইথিওপিয়া, ছোমালিয়া আনকি আমেৰিকাৰ পৰাও ছাত্ৰ-ছাত্ৰীয়ে ঢাপলি মেলে। ইয়াৰ উপৰিও ইয়াৰ ইংৰাজী, অৰ্থনীতি, নৃতত্ত্ব, ৰাজনীতি, সমাজবিদ্যা, ৰসায়ন শাস্ত্ৰ, অংক শাস্ত্ৰ, পৰিসংখ্যা আদি কলা আৰু বিজ্ঞান শাখাৰ বিষয় সমূহে ছাত্ৰ- ছাত্ৰীক শিক্ষা লাভত প্ৰভূত পৰিমাণে সহায় কৰিছে। ইয়াৰ উপৰিও বিশ্ববিদ্যালয়খনে বাণিজ্য শাখা, এম.বি.এ. , মাছ কমিউনিকেচন ,জাৰ্নেলিজম আদি বৰ্তমানৰ জনপ্ৰিয় তথা কেৰিয়াৰ গঢ়িবপৰা বিষয় সমূহৰো শিক্ষা দিয়ে। বিশ্ববিদ্যালয়ৰ পুথিভঁড়ালটোৱে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদানত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ছাত্ৰ-ছাত্ৰী সকলে কোনোধৰণৰ অসুবিধা নোহোৱাকৈয়ে ইয়াৰ পৰা প্ৰয়োজনীয় কিতাপ পত্ৰ সংগ্ৰহ কৰিব পাৰে। তাভোকৈ ডাঙৰ কথা যে পুথিভঁড়ালৰ অন্তৰ্গত অধ্যয়ন কক্ষটো ৰাতিপুৱা সাত বজাৰ পৰা ৰাতি বাৰ বজালৈকে খোলা থাকে। অধ্যয়নৰ বাবে এটা উপযুক্ত পৰিৱেশ থকাৰ বাবেই সৰহ ভাগ ছাত্ৰ- ছাত্ৰীয়ে ইয়াত একেলগে পঢ়া শুনা কৰে। উল্লেখযোগ্য যে দূৰ দৰ্শনযোগে প্ৰচাৰিত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ( U.G.C.) কাৰ্যসূচী সমূহ মূলতঃ পুণা বিশ্ববিদ্যালয়ে পৰিচালনা কৰে। পুণাৰ আন আন উল্লেখযোগ্য শিক্ষানুষ্ঠান সমূহৰ ভিতৰত এখন হ'ল চিমবোছিচ কলেজ। পুণাৰ চিমবোছিচ ছাৰ্চৰ্হ্তিৰ দ্বাৰা পৰিচালিত কলেজখনে মাছ কমিউনিকেশ্যন, মেনেজমেন্ট, কম্পিউটাৰ, আইন, বাণিজ্য আদিত শিক্ষা প্ৰদান কৰে। বৰ্তমান ই এখন আন্ত:ৰাষ্ট্ৰীয় শিক্ষানুষ্ঠানত পৰিণত হৈছে। ইয়াৰ উপৰিও আন দুখন উল্লেখযোগ্য শিক্ষানুষ্ঠান হৈছে 'ৰানাডে ইন্সটিটিউট' আৰু 'গোখলে ইন্সটিটিউট অব পলিটিক্স এণ্ড ইকনমিক্স'। ইয়াৰে প্ৰথম খনে সাংবাদিকতাৰ ওপৰত আৰু দ্বিতীয় খনে ৰাজনীতি আৰু অৰ্থনীতিৰ ওপৰত শিক্ষা দিয়ে। পুণাত অৱস্থিত আৰ্মড মেডিকেল কলেজ (Armed Medical College), অভিযন্তা মহাবিদ্যালয় আৰু কৃষি মহাবিদ্যালয়েও বহুতো ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰে। আনহাতে পুণাতেই টিভি আৰু চিনেমাৰ কাৰিকৰী সম্পৰ্কীয় শিক্ষানুষ্ঠান অৱস্থিত। ইয়াৰ নাম Institute of Film and Television Technology। ইয়াত চিনেমা আৰু টি, ভি,ৰ কাৰ্যসূচী সম্পৰ্কীয় যেনে -পৰিচালনা, দৃশ্য গ্ৰহণ আদিৰ প্ৰশিক্ষণ দিয়া হয়। বিভিন্ন ভাৰতীয় স্বনামধন্য চিত্ৰপৰিচালক, কেমেৰাম্যেন আদিয়ে ইয়াৰ পৰাই যাৱতীয় শিক্ষা লাভ কৰি আহিছে। পুণাত অৱস্থিত আন এখন সৰ্বভাৰতীয় শিক্ষানুষ্ঠান হৈছে National Defence Accadamy (N.D.A.)। এই শিক্ষানুষ্ঠানখনে ভাৰতীয় সেনাবাহিনীৰ বহুতো দক্ষ সেনা বিষয়াৰ সৃষ্টি কৰিছে।

পুণাৰ শৈক্ষিক পৰিৱেশ ভাৰতবৰ্ষৰ ভিতৰত উল্লেখযোগ্য। ইয়াৰ নিখুঁত শৈক্ষিক পৰিৱেশে পুণাৰ শিক্ষা বিভাগক এক সুকীয়া বৈশিষ্ট্য প্ৰদান কৰিছে। প্ৰাথমিক পৰ্য্যায়ৰ পৰা উচ্চ শিক্ষাৰ বিভিন্ন বিভাগ সমূহৰ পাঠদান নিয়মিতভাৱে চলে। উল্লেখযোগ্য যে ইয়াৰ বিভিন্ন শিক্ষানুষ্ঠান সমূহৰ পৰীক্ষা সমূহ এক নিৰ্দ্ধাৰিত তাৰিখতহে অনুষ্ঠিত হয়। ঠিক তেনে দৰে এক নিৰ্দ্ধাৰিত তাৰিখতহে প্ৰতিবছৰে ইয়াৰ ফলাফল সমূহ ঘোষণা কৰা হয়। পৰীক্ষা পিছুওৱাৰ নামত আন্দোলন

কৰাৰ দৰে ঘটনা পুণাৰ ছাত্ৰ- ছাত্ৰীৰ কাৰণে নাভূত নাশ্ৰুত বুলি ক'লেও বঢ়াই কোৱা নহয়। ৰেগিং নামৰ ব্যাধিটো ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে অপৰিচিত। আন এক লক্ষণীয় দিশ হ'ল যে ইয়াত কোনো সক্ৰিয় ছাত্ৰ সংগঠন নাই। সম্ভৱত: ইয়াৰ কাৰণেই এনে শিক্ষানুষ্ঠান সমূহ ৰাজনৈতিক পাক চক্ৰৰ পৰা সম্পুৰ্ণ মুক্ত। শিক্ষাবিভাগৰ দ্বাৰা কোনো শিক্ষানুষ্ঠান বা ছাত্ৰ- ছাত্ৰী শোষিত হোৱাৰ উদাহৰণো ইয়াত সততে পোৱা নাযায়। শিক্ষা ব্যৱস্থা অধিক ফলপ্ৰসু, নিখুঁত আৰু দুৰ্নীতিমুক্ত হ'বলৈ হ'লে পুণাৰ দৰে শিক্ষা ব্যৱস্থা এটা নিতান্তই প্ৰয়োজনীয়।

বিভিন্ন জাতি অধ্যুসিত পুণা চহৰৰ প্ৰভাৱশালী ধৰ্ম হ'ল হিন্দু ধৰ্ম। হিন্দুত্বৰ চৰম উৎকৰ্ষ সাধনৰ প্ৰাণকেন্দ্ৰ স্বৰূপ এই পুণা চহৰ। সম্ভৱত: ইয়াৰ কাৰণে ইয়াত কিছুমান হিন্দু মৌলবাদী সংগঠনৰ সৃষ্টি হৈছে। ব্ৰাহ্মণ প্ৰধান সমাজ এই পুণা চহৰৰ বেছিভাগেই নিৰামিষভোজী। গণপতি হ'ল সমগ্ৰ মহাৰাষ্ট্ৰৰ দৰে পুণাৰো প্ৰধান ধৰ্মীয় উৎসৱ।প্ৰতি বছৰে গণেশ চতুৰ্থীৰ দিনা এই উৎসৱ অতি উলহ মালহেৰে আৰম্ভ হয় আৰু দহ দিন ধৰি চলে। এই উৎসৱ যদিও প্ৰধানতঃ হিন্দু মাৰাঠা সকলৰ তথাপি বিভিন্ন সম্প্ৰদায়ৰ লোকে ইয়াত যোগ দান কৰি এক অপূৰ্ব মিলা-প্ৰীতিৰ চানেকি দাঙি ধৰে। উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি কৰি এই উৎসৱৰ সময়ত অত্যাধুনিক কলা-কৌশল আৰু সাজ সজ্জাৰে বিভিন্ন পূজা মণ্ডপ সমূহ আকৰ্ষণীয় কৰি তোলা হয়। এই উৎসৱৰ সময়ত ইয়াৰ মানুহে গণপতিক স্তুতি কৰাৰ উপৰিও উৎসৱটিৰ লগত সংগতি ৰাখি নৃত্য কৰিবলৈ বাজ আলিলৈ ওলাই আহে। লক্ষ লক্ষ মানুহৰ সমাগমে এই গণপতিৰ সময়তে সঁচাকৈয়ে পুণা চহৰে এক নতুন ৰূপ লয়। ইয়াৰ বাহিৰেও উল্লেখ যোগ্য ধৰ্মীয় উৎসৱ সমূহ হ'ল দশেৰা, শিৱাজী উৎসৱ, নাগপঞ্চমী, ৰংপঞ্চমী ইত্যাদি।

পুণাত পৰ্যটনৰো সুব্যৱস্থা আছে। উল্লেখযোগ্য যে ইয়াৰ পৰ্যটন বিভাগটোৱে ৰাজ্যখনৰ অৰ্থনীতিত বহু পৰিমাণে বৰঙণি আগবঢ়াইছে। অঞ্চলটোৰ আশে-পাশে থকা বিভিন্ন পৰ্যটনৰ উপযোগী ঠাই আৰু তাৰ শান্তি পূৰ্ণ পৰিৱেশে দেশী বিদেশী পৰ্যটকক আকৰ্ষিত কৰে। পুণা চহৰ খন ঘূৰিবলৈ পৰ্যটন বিভাগে বিভাগীয় পৰিবহনৰ সুব্যৱস্থা কৰি দিছে। মাত্ৰ ত্ৰিশ টকাৰ বিনিময়ত 'পুণা দশন' লিখা থকা গাড়ী এখনে সমগ্ৰ পুণাৰ গুৰুত্ব পূৰ্ণ অঞ্চল সমূহলৈ পৰ্যটকক লৈ যায়। এজন পৰিচালকে সেই অঞ্চল সমূহৰ গুৰুত্ব সম্পৰ্কে পৰ্যটক সমূহৰ আগত ব্যাখ্যা কৰি যায়।এই চহৰৰ ভিতৰত থকা চাবলগীয়া ঠাই বা স্মৃতিসৌধ সমূহৰ ভিতৰত শনিবাৰ ৱাড়া, সিংহগড়, চতুশৃংসী মন্দিৰ, আগাখা পেলেচ, কমলা নেহৰু পাৰ্ক, পুণা চিৰিয়াখানা, সম্ভাজি পাৰ্ক, আদিয়ে উল্লেখযোগ্য। আন হাতে পুণা চহৰৰ নাতি দূৰত অৱস্থিত শিৱাজীয়ে স্থাপন কৰা ৰায়গড় নামৰ ৰাজধানী আৰু ইয়াৰ বিভিন্ন স্মৃতিসৌধ সমূহো চাবলগীয়া। ইয়াৰ উপৰিও পুণাৰ পৰা কিছু দূৰৰ অন্যান্য অঞ্চল সমূহৰ ভিতৰত অজন্তা, ইলোৰা, মহাবালেশ্বৰ, লোণাৱালা, খণ্ডালা, গোৱা আৰু মাথেৰাণ উল্লেখ যোগ্য

শৃংখলাবদ্ধ চহৰ জীৱন পুণাৰ এক অনন্য বৈশিষ্ট্য। পুণা এক সুন্দৰ, পৰিষ্কাৰ, প্ৰণালীবদ্ধ, সুপৰিকল্পিত চহৰ।ইয়াৰ ৰাস্তা ঘাটবোৰ খুউব আহল বহল আৰু এইবিলাকৰ অৱস্থাও অতি উন্নত। য'ত বাহন আদি অতি শৃংখলাবদ্ধভাৱে পৰিচালনা কৰা হয়। ৰাজহুৱা জীৱনৰ শৃংখলাবদ্ধতা ইয়াৰ জনসাধাৰণৰ অন্যতম বৈশিষ্ট্য বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে বাছৰ যাত্ৰী সকলে অতি সুন্দৰভাৱে বাছৰ পিছৰ দুৱাৰেদি সোমায় আৰু আগ দুৱাৰেদি প্ৰস্থান কৰে। ঠিক তেনেদৰে বাছ পৰিচালকেও যাত্ৰী সকলৰ ভ্ৰমণত যাতে কোনো ধৰণৰ হাহাকাৰৰ সৃষ্টি নহয় তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখে। একেই নিয়ম নীতি ইয়াৰ জনসাধাৰণে চিনেমাগৃহ, ৰেইলৱে ষ্টেচন আদিত দায়িত্ব সহকাৰে পালন কৰে।

ঘন জন বসতি, ব্যস্ততাপূৰ্ণ, উদ্যোগ প্ৰধান চহৰ হিচাপে পুণা ভাৰতৰ ভিতৰতে এখন শান্তি পূৰ্ণ চহৰ বুলি নিঃসন্দেহে ক'ব পাৰি। যেতিয়া ভাৰতবৰ্ষৰ আনকিছুমান অঞ্চল হত্যা, লুণ্ঠন, সংঘৰ্ষ, বন্ধ, সংস্কৃতি আদি অশুভ ঘটনাসমূহৰ দ্বাৰা জৰ্জৰিত, পুণাই কিন্তু শান্তিপূৰ্ণ চহৰ হিচাপে তাৰ চিৰন্তন বৈশিষ্ট্য অব্যাহত ৰাখিব পৰিছে। নানা সমস্যা, অভাৱ, অশান্তি, সংঘৰ্ষ আদিৰে জৰ্জৰিত অঞ্চলবো জনজীৱন পুণাবাসীৰ দৰে শান্তিময়, মঙ্গলময় হওক । একৈশ শতিকাৰ দুৱাৰ দলিত আমি তাৰেই কামনা কৰো।□□□

□□'মানুহক বিশেষীকৃত জ্ঞানৰ শিক্ষা দিয়াটোৱেই যথেষ্ট নহয় । ইয়াৰ যোগেদি মানুহ এটা ভাল উপকাৰী যন্ত্ৰ হ'ব পাৰে, কিন্তু সু সংহত ভাৱে বিকশিত ব্যক্তিত্ব ইয়াৰ যোগেদি গঢ়ি নুঠে । সৌন্দৰ্যৰ প্ৰতি, নৈতিকভাৱে মঙ্গলৰ প্ৰতি তেওঁৰ এক স্পষ্ট বোধ থকা দৰ্কাৰ, সেয়ে নহ'লে তেওঁৰ সমস্ত বিশেষীকৃত জ্ঞানেৰে সৈতে তেওঁ এটা সু-প্ৰশিক্ষণপ্ৰাপ্ত সাৰমেয়হে হৈ উঠিব, এজন সু-সংহত ভাৱে বিকশিত ব্যক্তি নহয় ।'□□

*-এলবাৰ্ট আইনষ্টাইন*

# আমেৰিকাত কুৰি দিন

ড°ৰথীন বৰ্মন
প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ

মানসিকভাৱে প্ৰস্তুত হৈ আছিলো এনেকুৱা এটা খবৰৰ বাবে। যেতিয়া ১৯৯৭ চনৰ ২২ ছেপ্তেম্বৰৰ ৰাতিপুৱা দিল্লীস্থিত আমেৰিকাৰ দূতাবাসৰ পৰা ফোনযোগে বাতৰিটো পালো তেতিয়া অৱশ্যেই মনটো উৎফুল্লিত হৈ উঠিছিল। তাৰ আগেয়ে আগষ্ট মাহৰ শেষৰ ফালে খবৰ পাইছিলো যে মোক অক্টোবৰ মাহৰ ১১ তাৰিখৰ পৰা নৱেম্বৰ মাহৰ ৯তাৰিখলৈ আমেৰিকাৰ ফ্ৰণ্টৰয়েলত হ'ব লগা পৰিবেশ শিক্ষাৰ প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত কৰা হৈছে। কিন্তু লগতে এইটোও জনাইছিল যে মোৰ অহা- যোৱা খৰচৰ বাবে প্ৰশিক্ষণ আয়োজন কৰা সংস্থাটোৰ তৰফৰ পৰা চেষ্টা চলাই থকা হৈছে আৰু অতি শীঘ্ৰেই এই বিষয়ে মোক জনোৱা হ'ব। ২২ চেপ্তেম্বৰৰ ৰাতিপুৱা আমেৰিকা দূতাবাসৰ পৰা মোৰ অহা যোৱা আৰু আমেৰিকাত থকা দিন কেইটাৰ যাৱতীয় খৰচ আয়োজক সংস্থাটোৱে ব্যৱস্থা কৰা বুলি মোলৈ খবৰটো দিলে আৰু ১০ অক্টোবৰৰ দিনা দিল্লীৰ পৰা আমেৰিকা অভিমুখী বিমানৰ টিকট হোৱা বুলি জনালে। মাজত মাথোঁ বিশটা দিন। 'ভিছা' (অনুমতি?) সম্পৰ্কীয় ব্যৱস্থাৰ বাবে খুউব কম সময়। শুনিছিলোঁ ভাৰতৰ পৰা ব্যাপক হাৰত আমেৰিকালৈ প্ৰব্ৰজন হোৱাৰ পৰিপ্ৰেক্ষিতত আমেৰিকাৰ দূতাবাসে আমেৰিকা ভ্ৰমণৰ ভিছা প্ৰদানৰ ক্ষেত্ৰত এতিয়া যথেষ্ট সাৱধানতা অৱলম্বন কৰে। সেয়েহে মনত এটা ভয়ো আছিল জানোছা মোৰ আমেৰিকালৈ যোৱাৰ বাবে দৰকাৰ হোৱা 'ভিছা'ৰ আবেদন গ্ৰাহ্য নহয়। দূতাবাসৰ লগত ফোনযোগে যোগাযোগ কৰিলো আৰু তেওঁলোকে নিৰ্ভয়ে মোক দিল্লীস্থিত দূতাবাসলৈ আহি মোৰ 'ভিছা' সম্পৰ্কত যাত্ৰাৰ দুদিন আগেয়ে যোগাযোগ কৰিবলৈ ক'লে। অক্টোবৰৰ ৭ তাৰিখে আবেলি দিল্লীলৈ গ'লো আৰু ৮ তাৰিখে ৰাতিপুৱা দূতাবাসলৈ বুলি ৰাওনা হ'লো। দূতাবাসলৈ আহি দেখো "ভিছাৰ" বাবে হোৱা শাৰীয়ে ইতিমধ্যে কেবাটাও ভাঁজ লৈছে আৰু প্ৰায় ২০০ জন মান মানুহ শাৰীত আছে। আগতে জনোৱা মতেই মই দূতাবাসৰ "গেটৰ" পৰা ভিতৰৰ নিৰ্দিষ্ট কক্ষত মোৰ আগমনৰ বাতৰি দিলো। ক্ষন্তেক সময় পিছতেই ভিতৰৰ পৰা এজন প্ৰহৰী আহি মোক দূতাবাসৰ "বিজ্ঞান" শাখালৈ লৈ গ'ল। সুন্দৰ সম্ভাষনেৰে "ভিছা" ৰ আবেদন খন আৰু লগতে মোৰ "পাচপোৰ্ট" খন ল'লে আৰু আবেলি আহি মোৰ "ভিছা" আৰু যাত্ৰাৰ টিকট সমূহ লৈ যাবলৈ ক'লে। একপ্ৰকাৰ আচৰিতেই হ'লো। ইমান সহজতে কামটো হৈ যাব বুলি ভবাই নাছিলো। এনেয়ে নিয়ম মতে "ভিছা" ৰ বাবে আবেদন কৰিলে সাক্ষাৎকাৰ দিব লাগে আৰু সাক্ষাৎকাৰত উত্তীৰ্ণ হ'লেহে "ভিছা" ৰ আবেদন মঞ্জুৰ হয়। মোক উত্তৰ আমেৰিকাৰ পৰিবেশ বিদ্যা সংস্থাটোৱে নিৰ্বাচিত কৰাৰ বাবে হয়তো মোৰ সাক্ষাৎকাৰ লোৱা নহ'ল। আবেলি যথা সময়ত ধন্যবাদৰ বিনিময়ত "ভিছা" আৰু টিকট সমূহ সংগ্ৰহ কৰিলো আৰু দহ তাৰিখৰ ৰাতিৰ বাবে অপেক্ষা কৰি থাকিলো।

দহ তাৰিখে ৰাতি ১-৩০ বজাত আমেৰিকা অভিমুখী বিমানত উঠিলো। বিমানখনে বিভিন্ন সময়ত কি কি দেশৰ ওপৰেদি গৈ আছে তাক বিমানৰ পৰিচালকে সুন্দৰভাৱে যাত্ৰীসকলক জনাই গৈ আছিল। মাজে মাজে আকাশত ৰঙচুৱা হেঙুলীয়া আভাৰ সমাবেশ ঘটিছিল। নাজানো ই কোন দেশৰ ৰাতিপুৱাৰ ৰঙচুৱা আভা। প্ৰায় চাৰে ন ঘণ্টাৰ মূৰত লণ্ডনত বিমান অৱতৰণ কৰিলে। লণ্ডনত বিমান সলাব লাগিব। লণ্ডনত পাঁচ ঘণ্টা মান বোৱাৰ পিচত এইবাৰ আমেৰিকালৈ বুলি যাত্ৰা আৰম্ভ হ'ল। প্ৰায় সাত ঘণ্টাৰ মূৰত বিমান ৱাছিংটনৰ ডালাছ বিমান বন্দৰত অৱতৰণৰ বাবে সাজু হ'ল। বিমান অৱতৰণৰ কিছু সময় আগেয়ে পৰিচালিকাই আমেৰিকাৰ নিয়ম কানুন লিখা থকা এখিলা ফৰ্ম দি গৈ

গ'ল। ভালকৈ চাই দেখো এইখন এখন প্ৰমাণ পত্ৰৰ ফ্ৰম । মই যে কৰ্তৃপক্ষক নজোনোৱাকৈ লগত কোনো ধৰণৰ জীৱিত অথবা মৃত বা আন কোনো জৈৱিক বস্তু অনা নাই তাৰ প্ৰমাণ পত্ৰ হিচাপে এই ফ্ৰম খনত চহী কৰি ঘূৰাই দিব লাগে। আমেৰিকাত বাহিৰৰ পৰা অহা ফলমূল বা আন কোনো জীৱ-জন্তুৰ প্ৰৱেশ সম্পৰ্কে বৰ কাঢ়া নিয়ম বন্ধা আছে। বাহিৰৰ পৰা অহা ফলমূল বা জীৱ জন্তুই আমেৰিকাৰ স্থানীয় ফলমূল বা জীৱজন্তুৰ " জীন" অথবা পৰিৱেশ প্ৰদূষিত কৰিব বুলি লোৱা হয় এই সাৱধানতা । কিন্তু ভাৰতবৰ্ষত আজি সমস্যাৰ সৃষ্টি কৰা " পাৰ্থেনিয়াম" গছ আমেৰিকাৰ পৰাই অহা।

বিমান বন্দৰত আগৰ পৰাই মিঃ ডেভ মোৰ বাবে অপেক্ষা কৰি আছিল। মিঃডেভ হ'ল প্ৰশিক্ষণ আয়োজন কৰা সংস্থাটোৰ বিষয়ববীয়া । ডেভৰ লগতেই কৰ্মশালাৰ স্থানলৈ বুলি যাত্ৰা কৰিলো।

প্ৰশিক্ষণৰ স্থান নিৰ্দ্ধাৰণ কৰা হৈছিল যুক্ত ৰাষ্ট্ৰৰ ভাৰ্জিনিয়া প্ৰদেশৰ ফ্ৰণ্টৰয়েলত অৱস্থিত "স্মিথছোনিয়ান প্ৰতিষ্ঠান" ৰ সংৰক্ষণ আৰু গৱেষণা কেন্দ্ৰত । ৱাছিংটনৰ পৰা প্ৰায় ডেৰ ঘণ্টাৰ বাট । প্ৰশিক্ষণৰ বাবে পৃথিৱীৰ বিভিন্ন স্থানৰ পৰা মুঠ এঘাৰজন প্ৰশিক্ষাৰ্থীক আমন্ত্ৰণ কৰা হৈছে ।মোৰ বাহিৰে ভাৰতৰ আৰু এজন প্ৰশিক্ষাৰ্থীক আমন্ত্ৰণ কৰা হৈছে । তেওঁ উত্তৰ প্ৰদেশৰ ডেৰাডুনত থকা ভাৰতীয় বন্যজীৱ প্ৰতিষ্ঠানৰ কৰ্মী। মই উপস্থিত হোৱাৰ কিছু সময় পিচতেই তেওঁ গৈ পাইছিল। বাকী সকলৰ এজন জামাইকাৰ ,এজন মেক্সিকৰ, তিনিজন ইউক্ৰেনৰ, এজন মালয়েছিয়াৰ, দক্ষিণ আফ্ৰিকাৰ পৰা আমন্ত্ৰিত প্ৰশিক্ষাৰ্থীজন বিশেষ কাৰণত উপস্থিত থাকিব নোৱাৰিলে। সেয়েহে মুঠ দহজন প্ৰশিক্ষাৰ্থীৰে অক্টোবৰ মাহৰ ১১ তাৰিখে ৰাতিপুৱা ৯ বজাত 'স্মিথছোনিয়ান প্ৰতিষ্ঠান' সংৰক্ষণ আৰু গৱেষণা কেন্দ্ৰৰ সঞ্চালক ক্ৰিছ ৱাৰ্কাৰে প্ৰশিক্ষণৰ কাৰ্য্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰিলে আৰু আৰম্ভ হ'ল মোৰ আমেৰিকাৰ অভিজ্ঞতাৰ।

গোটেই প্ৰশিক্ষাৰ্থীসকলৰ ভিতৰত ময়েই বয়সত সৰু। মালয়েছিয়াৰ প্ৰশিক্ষাৰ্থী জনৰ বয়স প্ৰায় ষাঠি বছৰ। পেছাত মালয়েছিয়াৰ কৃষিবিভাগৰ জেষ্ঠ বিষয়া । এই " সফল ডেকাজন" সঁচাকৈ বৰ বসাল আছিল। বিভিন্ন সময়ত বিভিন্ন ৰসাল কথাৰে তেখেতে সকলোকে আপ্লুত কৰি ৰাখিছিল। প্ৰশিক্ষণ দিবলৈ আহিছিল আমেৰিকা আৰু কানাডাৰ বিভিন্ন পৰিৱেশ সংৰক্ষণৰ লগত জড়িত বিভিন্ন ব্যক্তি। আমাক পৰিচিত কৰাইছিল পৃথিৱীৰ বিভিন্ন স্থানত বিভিন্ন সময়ত কেনে ধৰণে পৰিৱেশ সংৰক্ষণৰ বাবে চেষ্টা চলোৱা হৈছে। পৰিৱেশ সংৰক্ষণৰ বিভিন্ন তত্ত্বৰোৰ খুটিনাটি সহ আলোচনা কৰা হৈছিল। প্ৰত্যেকজন প্ৰশিক্ষাৰ্থীক গাইপতি এটাকৈ পৃথিৱীৰ বিভিন্ন স্থানত সন্মুখীন হৈ থকা পৰিৱেশ সংৰক্ষণৰ সমস্যা সমাধান সূত্ৰ নিৰ্দ্ধাৰণৰ বাবে দিয়া হৈছিল আৰু প্ৰশিক্ষণৰ শেষৰ ফালে ইয়াক সমূহীয়া ভাৱে আলোচনা কৰা হৈছিল। প্ৰতিজন প্ৰশিক্ষাৰ্থীয়ে গাইগুটীয়াকৈ নিজৰ দেশৰ পৰিৱেশ সংৰক্ষণৰ বিষয়ে " আলোচনা চক্ৰ" ৰ আহবান কৰিব লগা হৈছিল। কেনেকৈনো এটা পৰিৱেশ সংৰক্ষণৰ সমস্যা সমাধান কৰিবৰ বাবে সমাজৰ বিভিন্ন স্তৰসমূহৰ গুৰুত্বপূৰ্ণ সহযোগিতা আহবান কৰিব পাৰি তাক বিতংভাৱে আলোচনা কৰা হৈছিল।

পৰিৱেশ সংৰক্ষণৰ বাবে আচলতে সবাতোকৈ দৰকাৰী কথা হ'ল পৰিৱেশ সম্পৰ্কে সচেতনতা । উন্নত ৰাষ্ট্ৰসমূহত জনসাধাৰণৰ পৰিৱেশ সংৰক্ষণৰ সচেতনতাই যিটো স্তৰত আজি আৰোহণ কৰিছে তাত চৰকাৰেই হওক বা আন কোনোবা কাৰখানা বা হোটেলৰ কৰ্তৃপক্ষই হওক, পৰিৱেশৰ ক্ষতি কৰিব পৰা কাম কৰিবলৈ কোনোৱে সাহসেই গোটাব নোৱাৰে। কিন্তু আমাৰ ইয়াত ? চৰকাৰে ৰাস্তাৰ কাষৰ গছডাল কাটি তাত এখন সৰু টিনৰ চালিৰে " যাত্ৰী অপেক্ষাৰ" স্থান বনাইছে। কিন্তু এই টিনৰ চালিখনে আমাক দিব পাৰিবনে সেই নিৰ্মল জুৰ পৰা বতাহ? গৰমৰ দিনত গছৰ তলত নিৰ্মল জুৰ পৰা বতাহ খিনিকো এনেদৰে আমাৰ পৰা নোহোৱা কৰি থকা হৈছে। আমাৰ ইয়াত দিনে নিশাই চলি থকা বন ধ্বংস যজ্ঞৰ কথা যেতিয়া মই মোৰ আলোচনা চক্ৰত কৈছিলো তেতিয়া ইউৰোপ আৰু আমেৰিকাৰ নিবাসী সকলে মূৰত হাত দি বহিছিল। উৰ্পযুপৰি মোক প্ৰশ্ন কৰিছিল জনসাধৰণে ইয়াক বন্ধ কৰিবৰ বাবে কি কৰিছে? মোৰ উত্তৰ আছিল " আজিৰ পেটৰ ভাত মুঠিৰ কথা চিন্তা কৰি তৎ নোপোৱা সাধাৰণ মানুহৰ কাইলৈ কি হ'ব তাক চিন্তা কৰিবৰ আহৰি ক'ত?" বাদ দিলো দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা মানুহখিনিক। দৰিদ্ৰ সীমা ৰেখাৰ ওপৰত থকা খিনিয়েনো কি কৰিছে? পৰিৱেশৰ প্ৰধান শত্ৰু এই শ্ৰেণীটোৱে। সহজ উদাহৰণ - বজাৰলৈ মোনাখন লৈ নাযায়। বজাৰৰ পৰা প্লাষ্টিকৰ মোনাত গৰ্বেৰে বজাৰ কৰি অহা ভদ্ৰলোক জনে জানেনে তেওঁ অনা খাদ্য দ্ৰব্যৰ লগত প্লাষ্টিকৰ বেগত থকা বিষজাতীয় ৰাসায়নিক দ্ৰব্যও তেওঁ খাই আছে। জানেনে এই পেলনীয়া প্লাষ্টিকৰ মোনাবোৰে চহৰ বা গাঁও-ভূইৰ নলাসমূহ বন্ধ কৰি পেলাইছে যাৰ ফলত গোটেই অঞ্চলটোৱে হয়তো গেলা পচা বস্তুৰ গোন্ধত থাকিব নোৱাৰা হৈছোঁ। উন্নত দেশ বোৰত প্লাটিকৰ মোনাৰ ব্যৱহাৰ কৰাত তীব্ৰ বিৰোধিতা কৰে । আমেৰিকাত আজি প্লাষ্টিকৰ মোনাৰ স্থান লৈছে কাগজৰ থোঙা বা মৰাপাটৰ মোনাই। আমি তাক আদৰিব পাৰো। পূৰ্বতে ব্যৱহাৰো কৰিছিলো। কিন্তু আজি একমাত্ৰ আমাৰ পৰিৱেশ সচেতনাৰ অভাৱৰ বাবেই এনেকুৱা হ'ব ধৰিছে। আমেৰিকাৰ পথত যেতিয়া কাগজ ক'তো পৰি থকা দেখা নাছিলো তেতিয়া হাতত থকা চকলেটৰ কাগজ টুকুৰা পেলাব নোৱাৰি জেপতে ভৰাই লৈ আহি পিচত ডাষ্টবিনত পেলাইছিলো।আমাৰ ইয়াত হ'লে কি কৰিলোহেঁতেন? কোনো কথাই নাই, লাডু কৰি দলিমাৰি পেলাই দিলোহেঁতেন। কাৰোবাৰ মূৰত পৰিলেও একো কথা নাই। আমি ইয়াত বাছৰ ভিতৰত ধূমপান কৰিছো, বা কোনো ৰাজহুৱা স্থানত কোনোপিনে নোচোৱাকৈ আপোন মনে চিগাৰেট হুপিছো। কিন্তু আমেৰিকাত একা ? জনমুৰি হিচাপত ভাৰতৰ মানুহতকৈ আমেৰিকাৰ মানুহে বেচি ধূমপান কৰে। কিন্তু আমেৰিকাত ৰাজহুৱা স্থানত, ৰাজহুৱা যানবাহনৰ ভিতৰত ভুলতেও এজন ধূমপান কৰি থকা মানুহ দেখা নাপালো। বিমান বন্দৰ বা তেনে ধৰণৰ ৰাজহুৱা স্থানবোৰত ধূমপান কৰাৰ এচুকত সৰু কোঠা এটা থাকে। মানুহ বোৰে আপোনমনে তাত গৈ ধূমপান কৰিছে। কোনোৱে নিয়ম উলংঘা কৰিবৰ বাবে চেষ্টা কৰা দেখা নাপালো। আমাৰ ইয়াত আকৌ নিয়ম ভঙাতোহে এটা মূল নিয়ম। প্ৰশিক্ষণ কালত আমাক নিয়া হৈছিল কেইখনো ৰাষ্ট্ৰীয় উদ্যানলৈ। তাত পালন কৰি থকা বন্যপ্ৰাণী সংৰক্ষণৰ নীতি নিয়ম সমূহৰ বিষয়ে আমাক অৱগত কৰোৱাটোৱে আছিল ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ উদ্দেশ্য । কিন্তু তাত বিভিন্ন কৰ্মকৰ্ত্তাসকলে তেওঁলোকৰ নিয়ম কানুন সম্পৰ্কে

আমাক অৱগত কৰাৰ লগতে আমাৰ দেশতনো আমি কেনেকৈ এখন ৰাষ্ট্ৰীয় উদ্যান পৰিচালনা কৰোঁ ইত্যাদি কথা জনাৰ বাবে আমাৰ লগত দীৰ্ঘ আলোচনা কৰিছিল। লগে লগে মোৰ মনত পৰিছিল মোৰ উত্তৰ ভাৰতৰ এখন আগশাৰীৰ ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ কথা। মই যেতিয়া ৰাষ্ট্ৰীয় উদ্যানৰ বিষয়ে বিতংকৈ জনাৰ উদ্দেশ্যে শীৰ্ষ কৰ্মকৰ্তাক লগ ধৰিছিলো তেওঁলোকে কিছুমান অগভীৰ কথা কৈ আমাৰ আগৰ পৰা অন্তৰ্ধান হৈছিল। হয়তো তেওঁলোকে তেওঁলোকৰ জ্ঞানৰ দৌৰ আনে জানিব পাৰে বুলি ভয় কৰিছিল। এখন ৰাষ্ট্ৰীয় উদ্যানত থকা শিল সমূহৰ বয়স নিৰ্দ্ধাৰণ সংৰক্ষণ আৰু শিল সমূহত বাস কৰা কিছুমান শেলাই জাতীয় উদ্ভিদৰ পৰিৱেশ সংৰক্ষণত অৱদান সুন্দৰভাৱে আমাক বুজাই দিছিল কেনেদৰে এই শেলাই সমূহ কিছুমান বিলুপ্ত প্ৰায় প্ৰাণীৰ বাবে অতি লাগতিয়াল খাদ্য। এই শেলাই বিধৰ উপযুক্ত সংৰক্ষণ নহ'লে কেনেদৰে সেই বিলুপ্ত প্ৰায় প্ৰাণীটো উদ্যান খনৰ পৰা নোহোৱা হৈ যাব পাৰে। আকৌ উদ্যানখনৰ দৰ্শনাৰ্থীৰ পৰা এক বুজন সংখ্যক ৰাজহো চৰকাৰে আহৰণ কৰিব পাৰিছে। পৰিৱেশ সংৰক্ষণৰ শিক্ষা আজি আমেৰিকাৰ শিক্ষা ব্যৱস্থাৰ এক অভিন্ন অংগ। শিক্ষাৰ বিভিন্ন স্তৰত বিভিন্ন মাধ্যমত পৰিৱেশ শিক্ষা সাধাৰণ শিক্ষা ব্যৱস্থাত অন্তৰ্গত কৰা হৈছে। আমেৰিকাৰ শিক্ষা ব্যৱস্থাৰ আন এক বৈশিষ্ট্য হ'ল ইয়াত অন্তৰ্ভুক্ত বিষয়সমূহ। আমাৰ ইয়াত থকা ভূগোল, অংক, ৰাজনীতি বিজ্ঞান ইত্যাদি বোৰৰ উপৰিও সমাজ ব্যৱস্থা, নিয়মানুৱৰ্তিতা, বক্তিত্ব -ব্যৱহাৰ ইত্যাদি বিষয়বোৰ আমেৰিকাত পঢ়োৱা হয়। মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষাত এই বিষয় বোৰতো আমাৰ ইয়াত "মেজৰ" পঢ়াৰ দৰে পঢ়িব পাৰি। আমেৰিকাৰ শিক্ষা ব্যৱস্থাত নিম্নৰ পৰা আমাৰ মহাবিদ্যালয়ৰ সমপৰ্যায়ৰ স্তৰলৈ পৰীক্ষাৰ উত্তীৰ্ণৰ নিম্নতম মানদণ্ড হ'ল শতকৰা ষাঠি শতাংশ। অৰ্থাৎ শতকৰা ষাঠি শতাংশ নম্বৰ পালেহে সেই বিষয়টোত উত্তীৰ্ণ হোৱা বুলি ধৰা হয়। মহাবিদ্যালয়ৰ ওপৰৰ পৰ্যায়ত এই মানদণ্ড আৰু ওপৰত।

ৱাছিংটন চহৰ মাত্ৰ ডেৰ ঘণ্টাৰ বাট হোৱা বাবে মাজতে কেইবাদিনো আমাক ৱাছিংটন, স্তম্ভ ইত্যাদি স্থানলৈ গৈ চোৱাৰ সৌভাগ্য হৈছিল। মাজত এদিন বাল্টিম'ৰত থকা বিখ্যাত "একুৰিয়াম"লৈ গৈছিলো। বিশাল বহুমহলীয়া ঘৰ এটাত কৃত্ৰিম প্ৰাকৃতিক পৰিৱেশত পৃথিৱীৰ বিভিন্ন স্থানত থকা প্ৰায় সকলোবোৰ মাছ-কাছ ইত্যাদি সুন্দৰভাৱে ইয়াত দৰ্শনৰ সুবিধাৰ্থে ব্যৱস্থা কৰা হৈছে। সকলোতকৈ সৌভাগ্যবান তেতিয়া অনুভৱ হৈছিল যেতিয়া পৃথিৱী বিখ্যাত "বায়ু আৰু মহাকাশ সংগ্ৰাহালয়" (Air and space museum) ত থকা এপ'ল' ১১ যানখনত খন্তেক বহিব পাৰিছিলো। এই যানখনেই প্ৰথমে চন্দ্ৰত মানুহ লৈ অৱতৰণ কৰিছিল। ইয়াতেই দেখিলো জাপানৰ হিৰছিমাত পেলোৱা এট'ম বোমাটোৰ খোলাটো, ৰাইট ভাতৃদ্বয়ে তৈয়াৰ কৰা প্ৰথম উৰাজাহাজখন।

প্ৰশিক্ষণৰ কাল চমু চাপি অহাৰ লগে লগে মোৰো এই আমেৰিকা ভ্ৰমণৰ চমু চাপি আহিল। প্ৰশিক্ষণৰ শেষৰ দিনা আমাক প্ৰত্যেকজন প্ৰশিক্ষাৰ্থীক পৰিৱেশ সংস্থাটোৰ ৱাছিংটনত থকা মূল কাৰ্য্যালয়ত হোৱা সভাত প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ল। ইয়াৰ পিছদিনা ফ্ৰন্টৰয়লত আমি প্ৰশিক্ষাৰ্থীসকলৰ তৰফৰ পৰা আমাক প্ৰশিক্ষণ দিয়া আৰু এই অনুষ্ঠানৰ লগত জড়িতসকলৰ বাবে এক "ধন্যবাদ জ্ঞাপন" অনুষ্ঠানৰ আয়োজন কৰিছিলো। এইদৰেই সিদিনাই আমাৰ প্ৰশিক্ষণ কাৰ্য্যসূচীবো আনুষ্ঠানিকভাৱে সমাপ্তি হ'ল। পিচদিনা প্ৰত্যেকে প্ৰত্যেকৰ পৰা বিদায়লৈ নিজৰ দেশলৈ বুলি যাওনা হ'লো। আহিবৰ সময়ত এইবাৰো প্ৰশিক্ষণকাৰী সংস্থাটোৰ আন এজন সদস্য ছাবিহা ডাউদিয়ে আহি বিমান বন্দৰত নমাই থৈ গ'ল।

পিচদিনা ৰাতি প্ৰায় ১-৩০ বজাত বিমান আহি দিল্লীত অৱতৰণ কৰিলে আৰু নিজকে পুনৰ ভাৰতৰ বিশৃংখল পৰিৱেশ, হুতা মাতকথা, আৰু বিশৃংখল পৰিৱেশৰ চিৰ পৰিচিত এই চহৰখনত আহি পোৱাৰ পিচত আমেৰিকাৰ স্মৃতিয়ে বৰকৈ আমনি কৰিছিল। দিল্লীৰ পৰা ৰাজস্থানৰ বিকানেৰ নগৰ হৈ পুনৰ নিজৰ স্থান গুৱাহাটীলৈ উভতিলো। বন্ধু এজনৰ বিয়া খাবলৈ গৈছিলো বিকানেৰলৈ। বহুত দিনৰ পিচত ভাৰতীয় খাদ্য পাই বাৰুকৈয়ে খালো বন্ধুৰ বিয়াত। □□□

*সৰগ-নৰক, বৈকুণ্ঠ, পুনৰ জন্ম বা অৱতাৰ আদিৰ দৰে কথাবোৰ বিশ্বাসযোগ্য নহয়। প্ৰকৃত ধৰ্মৰ প্ৰধান প্ৰতিবন্ধক হ'ল অন্য এখন জগতৰ অৱস্থিতি বিশ্বাস কৰাটো। যদি প্ৰতিজনে প্ৰতিটো দিন সাৰ্থক ভাৱে কটাবলৈ শিকে তেনেহ'লে মানুহে অধিক যুক্তি সংগত আৰু প্ৰকৃত ধাৰ্মিক জীৱন-যাপন কৰিব পাৰিব। মানৱ জাতিলৈ বিজ্ঞানৰ এইটোৱেই প্ৰধান বাৰ্ত্তা।*

□ চি. ভি. ৰমণ।

# গ্ৰন্থাগাৰ আৰু পাঠক সমাজ

শ্ৰীগৌতম ৰাভা,
গ্ৰন্থাগাৰিক

গ্ৰন্থ বা কিতাপ অধ্যয়ন জ্ঞান বিকাশ আৰু গৱেষণা কাৰ্য্যৰ বাবে অতি জৰুৰী । এই কাৰ্য্যত পুথিভঁৰাল বা গ্ৰন্থাগাৰৰ ভূমিকা অপৰিসীম । মহাবিদ্যালয় পৰ্য্যায়ত গ্ৰন্থাগাৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলক পাঠ্যপুথি আৰু প্ৰাসঙ্গিক পুথিৰ ব্যৱহাৰৰ পথ সুগম কৰি শ্ৰেণী কোঠাৰ অধ্যয়ন বাহিৰলৈ প্ৰসাৰিত কৰে ।

মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আজি কালি কিতাপৰ মঙহা দামৰ বাবে কিতাপ নিজাকৈ কিনিব নোৱাৰে আৰু মহাবিদ্যালয় গ্ৰন্থাগাৰৰ ওপৰত নিৰ্ভৰ শীল হ'ব লগা হয় । তেওঁলোকৰ সহায়ৰ বাবে মহাবিদ্যালয় গ্ৰন্থাগাৰে গ্ৰন্থাগাৰ বিজ্ঞানে নিৰূপন কৰি দিয়া পথ অনুসৰণ কৰি ছাত্ৰ-ছাত্ৰীক সহায়ৰ হাত আগবঢ়ায় । তেওঁলোকক সমুচিত ভাৱে সহায়ৰ হাত আগবঢ়াবলৈ মহাবিদ্যালয় গ্ৰন্থাগাৰে কিতাপ ক্ৰয় কৰি সেইবিলাক শ্ৰেণীকৰণ কৰি সঠিক ঠাইত স্থাপন আৰু সেইবিলাকৰ বিষদ বিৱৰণ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলে পাব পৰাকৈ কেটেলগৰ ( Catalogue ) দিহা কৰিব লাগে । ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলে যাতে সময় অপচয় নকৰি গ্ৰন্থাগাৰৰ পঢ়া কোঠাত (Reading Room ) নীৰৱে পঢ়িব পাৰে তাৰ বাবে নজৰ ৰাখিব লাগে । এই গোটেই বিলাক কাৰ্য্য সঠিকমতে হ'বলৈ হ'লে মহাবিদ্যালয় কৰ্তৃপক্ষ গ্ৰন্থাগাৰৰ সম্পৰ্কত অতি মনোযোগী হোৱা দৰ্কাৰ ।

এটা ভাল আৰু কাৰ্য্যকৰী গ্ৰন্থাগাৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলে সন্মুখীন হোৱা নতুন প্ৰত্যাহ্বান প্ৰশমিত কৰিবলৈ সহায় কৰিব পাৰে । গ্ৰন্থাগাৰৰ চাৰিবেৰৰ মাজত ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ আজৰি সময় ব্যৱহাৰ কৰি অৰ্থবহভাৱে উপকৃত হ'ব পাৰে । গ্ৰন্থাগাৰত আজৰি সময়ৰ সদ ব্যৱহাৰে তেওঁলোকৰ জ্ঞানৰ দিগন্ত মুকলি কৰি ভৱিষ্যতৰ বাবে অধিক দায়িত্বশীল কৰি তোলে । সেয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে শ্ৰেণী কোঠাৰ শিক্ষাতকৈ গ্ৰন্থাগাৰৰ ব্যৱহাৰ অতি উপযোগী হয় ।

কাৰ্যকৰী আৰু অতি উত্তম মহাবিদ্যালয় গ্ৰন্থাগাৰৰ চাবি-কাঠি ইয়াৰ আঁচনিতে নিহিত থাকে । সেই সমূহ এনে ধৰণৰ -

(ক) জ্ঞান অৰ্জনৰ পাঠ্য পুথি আৰু প্ৰাসংগিক গ্ৰন্থ সংগ্ৰহ ।
(খ) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীলৈ গ্ৰন্থাগাৰৰ মুকলি সেৱা ।
(গ) গ্ৰন্থাগাৰৰ ভৱন , আচবাব আদিৰ সুবিধা ।
(ঘ) বৃত্তিধাৰী কৰ্মচাৰী নিয়োগ।
(ঙ) গ্ৰন্থাগাৰ প্ৰশাসন।
(চ) বিত্ত আৰু পৰিকল্পনা ।

পাঠ্যপুথি আৰু প্ৰাসঙ্গিক পুথি ক্ৰয়ৰ বাবে গ্ৰন্থাগাৰ কিতাপ বাচনি সমিতিৰ ওপৰত নিৰ্ভৰশীল । গ্ৰন্থাগাৰৰ লাগতিয়াল সকলো সমল ক্ৰয় কৰিবলৈ বাচনি সমিতিয়ে বাচনি কৰি দিয়ে । সেই অনুসাৰে গ্ৰন্থাগাৰে কিতাপ-পত্ৰ , আচবাব আদি ক্ৰয় কৰে । এই বিলাক ক্ৰয় কৰাৰ পিছত সুদক্ষ বৃত্তিধাৰী কৰ্মীৰ দ্বাৰা শ্ৰেণী কৰণৰ দ্বাৰা বিভাজিত কৰি সেইবোৰ সঠিক স্থানত স্থাপিত কৰা হয় যাতে কিতাপ উলিয়াই দিওতাই বা পাঠক-পাঠিকাই কোনো অাহুকাল নোহোৱাকৈ তেওঁ বিচৰা কিতাপ সঠিক বিভাগৰ সঠিক ঠাইত পাব পাৰে । কিতাপ সমূহ শ্ৰেণী কৰণ কৰি বিভাজিত কৰাতে ইয়াৰ কাৰিকৰী কাম শেষ নহয় । পাঠক-পাঠিকাই যাতে তেওঁ বিচৰা কিতাপখন আৰু তাৰ লগত সংগতি থকা কিতাপ বা নথিৰ সন্ধান পাব পাৰে তাৰ বাবে কিতাপ সমূহ বিভাগে বিভাগে কেটেলগ কৰা হয় । ইয়ে কিতাপ সমূহ সমুচিত ব্যৱহাৰ হোৱাত প্ৰভুত সহায় আগবঢ়ায় । যাবতীয় সকলো কাম (Processing) সমাধা কৰাৰ পিছত পাঠক-পাঠিকাৰ বাবে কিতাপখন প্ৰস্তুত হৈ উঠে ।

ছাত্ৰ-ছাত্ৰীৰ সেৱাৰ বাবে গ্ৰন্থাগাৰ সদা প্ৰস্তুত থাকে । এই সেৱা সমূহ সাধাৰণতে লাইব্ৰেৰী কাৰ্ড আৰু ৰিডিং ৰুম যোগে কৰা হয় । ছাত্ৰ-ছাত্ৰী সকলক তেওঁলোকে পোৱা লাইব্ৰেৰী কাৰ্ডত পোন্ধৰ দিনৰ বাবে কিতাপ দিয়া হয় । যিবিলাক কিতাপ বাহিৰত দিব নোৱাৰি সেই বিলাক পঠণ -পাঠণৰ দিহা লাইব্ৰেৰী ৰিডিং ৰুমত থাকে । ছাত্ৰ-ছাত্ৰী সকলে ৰিডিং ৰুমত নীৰৱে সকলো ধৰণৰ লাইব্ৰেৰী সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে ।

কাৰ্যকৰী আৰু ভাল গ্ৰন্থাগাৰ আঁচনিযুক্ত ভৱন, কিতাপ পত্ৰ আৰু কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল । বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দ্দেশ মতে মহাবিদ্যালয় গ্ৰন্থাগাৰ ভৱন স্বয়ং সম্পূৰ্ণ আৰু স্ব-নিৰ্ভৰশীল হ'ব লাগে । ই শ্ৰেণী সমূহৰ হুই উকমিয়ে পৰশিব নোৱাৰা কিন্তু ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলে অনায়াসে যাব পৰা মধ্যৱৰ্ত্তী স্থানত হ'ব লাগে । এই গ্ৰন্থাগাৰটো সুচাৰু ৰূপে পৰিচালিত কৰিবলৈ এখন লাইব্ৰেৰী কমিটি থাকে । মহাবিদ্যালয়ৰ অধ্যক্ষজন ইয়াৰ সভাপতি আৰু গ্ৰন্থাগাৰিকজন সম্পাদক স্বৰূপে থাকে ।

গ্ৰন্থাগাৰৰ প্ৰশাসনীয় দিশত গ্ৰন্থাগাৰিকজনে চকু ৰাখে , গ্ৰন্থাগাৰৰ বাকী কৰ্মীয়ে তেওঁক সহায় কৰে । মহাবিদ্যালয় গ্ৰন্থাগাৰৰ সফলতা কেৱল ইয়াৰ কৰ্মী সকলৰ ওপৰতে নিৰ্ভৰ নকৰে । গ্ৰন্থাগাৰৰ সমূহ পাঠক-পাঠিকাৰ সহযোগিতাও ইয়াত আহি পৰে । গ্ৰন্থাগাৰৰ কৰ্মী , পাঠক -পাঠিকাৰ সহযোগিতা আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ সু-সমন্বয়তহে মহাবিদ্যালয় গ্ৰন্থাগাৰে নিটোল ৰূপ পায় ।

বিত্ত আৰু বাজেট নোহোৱাকৈ কোনো গ্ৰন্থাগাৰে চলা অসম্ভৱ । ৰাধা কৃষ্ণন আয়োগে মহাবিদ্যালয় গ্ৰন্থাগাৰে উন্নয়নৰ ক্ষেত্ৰত ছয় শতাংশৰ অনুমোদন দিছিল যদিও কোঠাৰি আয়োগে এই ব্যয় দহ শতাংশলৈ আৰু K. N. Raj আয়োগে

ইয়াক বিশ শতাংশলৈ উন্নীত কৰে । পাৰ কেপিটা খৰছ অনুসৰি মহাবিদ্যালয় গ্ৰন্থাগাৰ সমূহৰ ক্ষেত্ৰত ১০০/- অনুমোদিত । মহাবিদ্যালয় গ্ৰন্থাগাৰৰ সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত ব্যয়ৰ অনুপাত এনে ধৰণৰ -

| | |
|---|---|
| ফাৰ্ণিচাৰ আৰু ইকুইপমেণ্ট | : ১৫% |
| বাইণ্ডিং | :১০% |
| ষ্টেচনাৰী, প্ৰিণ্টিং, কনটিনজেন্সী | : ৩০% |

অৱশ্যে বিশ্ববিদ্যালয় অনুদান আয়োগে আজি-কালি অনুদান দিলে সামগ্ৰী ক্ৰয়ৰ অনুপাত নিৰূপন কৰি নিৰ্দেশ দিয়ে । সেয়ে উল্লেখিত অনুপাত সময়ে সময়ে পৃথক হোৱা দেখা যায় ।

অতি সম্প্ৰতি গ্ৰন্থাগাৰ আৰু ইয়াৰ বাকী কৰ্মী সকলৰ সন্মুখত এটি ডাঙৰ প্ৰত্যাহবান আহি পৰিছে। উন্নত দেশ সমূহৰ আদৰ কায়দাৰ লগত তাল ৰাখিবলৈ যথেষ্ট কৰণীয় ওলাইছে, বিশেষকৈ আজিৰ বিজ্ঞান আৰু তথ্য প্ৰযুক্তি বিদ্যাই গ্ৰন্থাগাৰৰ সমল আহৰণৰ কৌশলেই সলনি কৰি পেলাইছে, গ্ৰন্থাগাৰৰ সমল ব্যৱহাৰ ক্ষীপ্ৰ কৰি তুলিছে । এই বিলাকৰ লগত তাল মিলাবলৈ যি ব্যাপক ধনৰ প্ৰয়োজন, মহাবিদ্যালয় সমূহৰ সেইটো নথকাত সীমিত অৰ্থৰেই ইয়াৰ উন্নয়ন আৰু পাঠক- পাঠিকাৰ সেৱাত আগুৱাৰ লগা হৈছে ।

পুথিভঁৰালৰ সেৱা ঠিক মতে পোৱাৰ ক্ষেত্ৰত আমাৰ পাঠক-পাঠিকা সকলৰো কৰণীয় আছে । পুথিভঁৰাল কেৱল পুথিৰ ভঁৰাল নহয়, ই জ্ঞানৰো ভঁৰাল । মহামতি কাৰ্লাইলৰ ভাষাত আজিৰ দিনত পুথিভঁৰাল হৈছে প্ৰকৃত বিশ্ববিদ্যালয় । বিশ্ববিদ্যালয় যেনেকৈ জ্ঞানৰ আঁকৰ, পুথিভঁৰালো তদ্ৰুপ । মানৱৰ জ্ঞান অৰ্জনত কিতাপক প্ৰকৃত বন্ধু বুলি ক'লেও বঢ়াই কোৱা নহয় । ই মানুহৰ অতি বিশ্বস্ত, জীৱনৰ ভাল সংগী । কিতাপেই আজিৰ বস্তুবাদী দিনতো হৃদয় আৰু বিবেকত বিমল পুষ্টি যোগাই সেউজ কৰি ৰাখে । এই কথাৰ প্ৰতি লক্ষ্য ৰাখি বিখ্যাত চিন্তাবিদ ভল্টেয়াৰে সেইবাবে কিতাপ সম্পৰ্কে কৈ গৈছে 'All the known world, excepting only savage nations is govern by book '

পৃথিৱীত অলেখ কিতাপ আছে । সেইবোৰ যে বহুমূলীয়া তাক আমি আমাৰ সীমিত জ্ঞানেৰেও অনুধাৱন কৰিব পাৰো । আমি বহুতেই অৰ্থৰ কাৰণে বহু কিতাপ কিনিব নোৱাৰো, বহু কিতাপৰ নামহে শুনিছোঁ দেখা নাই বা ল'ব পৰা নাই । আমাৰ এই অক্ষমতা আৰু অসুবিধা দূৰ কৰিবলৈ পুথিভঁৰালে ভাল মোক্ষম সুবিধা দান কৰে । সেই সুবিধা গ্ৰহণ কৰিবলৈ লাগে পাঠক- পাঠিকাৰ এটি জিজ্ঞাসু কৌতুহলী মন আৰু লাগে কিতাপৰ প্ৰতি মননশীল দৃষ্টিভংগী । কিতাপৰ কি নাই ? ইয়াত আছে মৌতকৈয়ো সুমিষ্ট ৰস, আমোলমোল সুগন্ধ আৰু চিত্ৰ-বিচিত্ৰ ৰঙৰ আকৰ্ষণীয় যাদু । পাঠক -পাঠিকাই ইয়াত সকলো থিনিয়েই পাব পাৰে । এই হেন কিতাপৰ প্ৰতি কিন্তু কিছুমান পাঠক -পাঠিকা দৰদী নহয় । পাঠকৰ অনাদৰে এখন কিতাপৰ আয়ুস বহুত কমায় । সেমেকা জলবায়ু, পানী, জুই, পোক-পৰুৱা কিতাপৰ শত্ৰু যদিও মানুহ কিতাপৰ পৰম শত্ৰু । বেছিভাগ পাঠকেই কিতাপৰ প্ৰতি মনযোগী নহয় । পুথিভঁৰালৰ কিতাপ সময়মতে ঘূৰাই নিদিয়ে । বহুতে কিতাপৰ পাত ফালি ৰাখে, কিতাপৰ ভিতৰত অশ্লীল, অভদ্ৰ ভাষাৰ পোহাৰ মেলে । এনে প্ৰৱণতাই কিতাপখনৰ পিছৰ পাঠকজনৰ কথা, সুবিধা-অসুবিধালৈ কৰ্ণপাত নকৰে । যি সকল এই প্ৰৱণতাৰ দাস, তেওঁলোকে এটা ভাল উপায়েৰে এই প্ৰৱণতা ৰোধ কৰিবলৈ পাৰে । নিজে কিনিব পৰা বা কিনা কিতাপ বিলাক য'তে ত'তে পেলাই নাৰাখি সেই কিতাপ বিলাক নিজৰ ঘৰতে মৰমেৰে সংগ্ৰহ কৰি গলে কিতাপৰ প্ৰতি মৰম আৰু যত্ন বাঢ়িব আৰু সময়ত গৈ সক কৈ হ'লেও নিজাকৈ এটি গ্ৰন্থাগাৰ হ'ব ।

পৃথিৱীত যিমান কিতাপ আছে সেইবোৰ পঢ়িবলৈ আমাৰ তেনেই চুটি জীৱনত সময়ৰ নাটনি । সেইবাবে আমি সাৱধানে বাচি ভাল কিতাপ পঢ়া অভ্যাস গঢ়িব লাগিব । কিতাপ পঢ়াৰ বিষয়ে ফ্ৰান্সিচ বেকনে এটি বঢ়িয়া কিটিপ আমাক শিকাই গৈছে । তেওঁৰ কিটিপৰ চাবি-কাঠি এনেধৰণৰ 'Some books are to be tested, others to be swallowed, and some few to be chewed and digested.'

বিখ্যাত দাৰ্শনিক পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণনদেৱেও কিতাপ বাছি পঢ়া সম্পৰ্কত অভিমত দিছে ' কিছুমান কিতাপে আমাৰ মনক আনন্দ দিয়ে, কিছুমানে উপদেশ দিয়ে আৰু অইন কিছুমানে আমাৰ চাৰিত্ৰিক উৎকৰ্ষ সাধন কৰে- এই শেষৰ শ্ৰেণীৰ কিতাপেহে আমি অধ্যয়ন কৰা উচিত ।'' এই কিটিপ মতেও পাঠকে কিতাপ পঢ়িলে নিশ্চয়কৈ বহু ভাল কিতাপৰ সংস্পৰ্শলৈ আহিব , কিতাপৰ প্ৰতি প্ৰীতি হ'ব, আহ্লাদিত হ'ব । কিতাপৰ ফুৰফুৰীয়া আমোলমোল গোন্ধে আৰু বিভিন্ন ৰঙৰ চমকে তেওঁক হাত বাউলি মাতিব । জীৱটো সঁচা অৰ্থত চহকী হ'ব ।

'Oh, dainty volume, new and neat !
The paper doth outshine the snow,
The print is blacker than the crow ,
The Title-page, with crimson bright,
The Volume cover smoth and white,
All sorts of readers do invite.'

-Andrew Lang.

□□□□

□□□'পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা ।'

-সত্যনাথ বৰা